পিয়লি ফুকন

শ্ৰীপ্ৰফুল্ল বৰুৱা

চপলা বুক ষ্টল
অসমৰ বৃহত্তম পুস্তক প্ৰতিষ্ঠান
শিলং

প্ৰকাশক :—
শ্ৰীবিধুভূষণ চৌধুৰী
অসমীয়া সাহিত্য মন্দিৰ
গুৱাহাটী—শিলং
পৰিবেশক :—
চপলা বুক ষ্টল
শিলং
মুদ্ৰাকৰ :—
শ্ৰীকাৰ্ত্তিকচন্দ্ৰ দে
নিউ মদন প্ৰেছ
৯৫, কেচু চাটাৰ্জ্জি ষ্ট্ৰীট
কলিকতা ৯
প্ৰথম তাঙৰণ
সৰ্ব্বস্বত্ব প্ৰকাশকৰ
মূল্য—পাঁচ সিকি

চিৰায়ুষ্মানেষু,

শ্ৰীমান প্ৰফুল্ল ;

তোমাৰ "পিয়লি ফুকন" নাটক খনি পঢ়ি বৰ ভাল পালোঁ। নাটক খনত অতীত অসমৰ নিখুত চিত্ৰ এটি ফুটি উঠিছে আৰু সেই সময়ৰ নিভাঁজ অসমীয়া ভাষাৰ বহনে কিতাপ খনিক সৰ্ব্বাঙ্গ সুন্দৰ কৰি তুলিছে। "পিয়লি ফুকনৰ" দেশ প্ৰেমে উঠি অহা অসমৰ তৰুণ অসমীয়াৰ প্ৰাণত দেশপ্ৰেমৰ নতুন প্ৰেৰণা যোগাব! ঈশ্বৰে তোমাৰ ভাষা জননীৰ সেৱা সাৰ্থক কৰক।

শ্ৰীনলিনীবালা দেৱী
১৫।৬।৪৮
ছিলং

আগ কথা

বদন বৰফুকনৰ পুতেক পিয়লি বৰ ফুকনৰ বিষয়ে বহুতো বুৰঞ্জীমূলক আবিষ্কাৰ হৈছে। বহুতো সময়ত আকৌ পণ্ডিত সকলৰ মাজত অমিলো হৈছে কিন্তু সক সুৰা কথাত অমিল হলেও এইটো স্বীকাৰ কৰে যে বৰফুকন এজন বিপ্লবী আছিল। অসমৰ নন্দকুমাৰ মণিৰাম দেৱানেও প্ৰথমতে কিছুমান দিন ইষ্ট্ ইণ্ডিয়া কোম্পানীৰ লগত সহযোগ কৰিছিল। কিন্তু বৰফুকনে আদিৰে পৰাই ইংৰাজৰ বিৰোধিতা কৰি আহিছিল। বৰফুকনক দেৱানতকৈ উচ্চ বুলি প্ৰমান কৰা আমাৰ উদ্দেশ্য নহয়। আমাৰ উদ্দেশ্য বৰ ফুকনৰ দেশ প্ৰেমৰ আলম লৈ নাটক ৰচনা কৰাহে। পাঠক সকলেও যেন নাটকখনি সেই চকুৰেই চাই দোষ ত্ৰুটিৰ প্ৰতি চকু নিদিয়ে।

আজি দুবছৰৰ আগতে যোৰহাট জিলা ছাত্ৰ কংগ্ৰেছৰ অধ্যয়ন চক্ৰত অধ্যক্ষ হেমকান্ত বৰুৱাই দিয়া বক্তৃতাৰ পৰাই লিখকে প্ৰথমে পিয়লি বৰফুকনৰ ইতিহাস শুনে। সেই ঘটনাটো বিশেষকৈ জানিবৰ কাৰণে পঢ়াশুনা কৰিবৰ সুযোগ আমি না পালোঁ। ইতিমধ্যে যোৰহাট জিলা ছাত্ৰ কংগ্ৰেছৰ কৃষ্টি সম্মিলন এখনি পতাৰ যো-জা হোৱাত এখন নাটিকা ৰচনা কৰিবলৈ ছাত্ৰ কংগ্ৰেছৰ সভাপতি বন্ধু শ্ৰীবংশী বৰগোহাঁয়ে কোৱাত পিয়লি বৰ ফুকনৰ ইতিহাসৰ আলমলৈয়ে এখনি সক নাটিকা ৰচনা কৰিলোঁ। তাৰ পিছত যেতিয়া স্বাধীনতা দিবস সংখ্যা "অসমীয়া"ত বৰ

ফুকনৰ বিষয়ে দুটি প্ৰবন্ধ ওলাল, তেতিয়া তাৰ পৰাই সমল গোটাই লৈ নাটিকা খনক নাটকৰ ৰূপ দিয়া হল।

নাটক খনি যে উচ্চ ধৰণৰ হৈছে, সেই কথা মই নিজেও বিশ্বাস নকৰোঁ। কিন্তু তথাপিও নিজেই লিখিছোঁ। যেতিয়া স্বভাৱতেই ৰাইজৰ কৃপা প্ৰাৰ্থনা কৰিলোঁ।

শ্ৰীযুক্তা নলিনীবালা দেবীয়ে নাটকখনি প্ৰথমে চকু ফুৰাই ভুলৰ কেটামান আঙুলিয়াই দি নাটক খনিক অন্ততঃ কিছু পৰিমাণে ৰাইজৰ হাতত দিবৰ উপযোগী কৰি দিলে। তেখেতৰ এই দয়াৰ কাৰণে কৃতজ্ঞতা জনাবলৈ ভাষা মোৰ নাই।

তাৰ উপৰিও এই কামত সদায় উদ্‌গনি দিয়াৰ কাৰণে প্ৰবীণ নাট্যকাৰ শ্ৰীযুত ৰুকুণাধৰ বৰুৱা আৰু যোৰহাটৰ নাট-শিল্পী শ্ৰীযুত নবীনচন্দ্ৰ বৰুৱা দেৱৰ ওচৰত মোৰ কৃতজ্ঞতা প্ৰকাশ কৰিলোঁ। তাৰ উপৰিও বন্ধুবৰ শ্ৰীযুত (সকল) নীলাম্বৰ হাজৰিকা, অমূল্য গোহাঁই, লক্ষ্মীনাথ বৰুৱা, অৰুণ বৰুৱা, বংশীধৰ গোহাঁই আৰু কিৰণচন্দ্ৰ বৰুৱা মোৰ আন্তৰিক ধন্যবাদৰ পাত্ৰ।

নাটকৰ গান দুটি মোৰ দুজন বন্ধুৰ ৰচনা। তেখেত সকলো মোৰ ধন্যবাদৰ পাত্ৰ!

সৰ্ব্বাই বৰুৱা, যোৰহাট ১৬।৪৮ — বিনীত শ্ৰীপ্ৰফুল্ল বৰুৱা

দৃশ্যাবলী

১ম অঙ্ক

১ম দৃশ্য :—পিয়লি বৰ ফুকন, ৰতন বৰাগী।

২য় দৃশ্য :—বাটকৰা মানুহ, হৰনাথ দাৰোগা, ৰৰবৰুৱা, বৰ গোহাঁই, চন্দ্ৰৰী।

৩য় দৃশ্য :—কলিয়া, নালিয়া, নোমল, পিয়ালী বৰগোহাঁই।

৪র্থ দৃশ্য :—পিয়লি, হৰনাথ, পিয়ালি।

২য় অঙ্ক

১ম দৃশ্য :—বৰুৱাণী, ৰতন বৰাগী, বাপুকণ, হৰনাথ, লগুৱা।

২য় দৃশ্য :—পিয়লি, নোমল, পিয়ালি, ৰতন।

৩য় দৃশ্য :—পিয়লি, পিয়লিৰ অনুচৰ বিলাক, কোম্পানীৰ চন্দ্ৰৰীহঁত।

৪র্থ দৃশ্য :—বাপুকণ, বৰুৱাণী, দাৰোগা।

সামৰণি দৃশ্য :—বৰগোহাঁই, ৰৰবৰুৱা, হৰনাথ, মণিৰাম বৰ ভাণ্ডাৰ বৰুৱা, পিয়লি আৰু চন্দ্ৰৰী

চৰিত্ৰাবলী

পুৰুষ

পিয়লি বৰফুকন—বদন বৰফুকনৰ পুত্ৰ।

হৰনাথ—ধনঞ্জয় ভগা বৰগোহাঁইৰ পুত্ৰ। প্ৰথমে বিপ্লৱী গমধৰ কোৱঁৰৰ আৰু পাছত পিয়লিৰ সহযোগী।

পিয়ালি বৰগোহাঁই—পিয়লি বৰফুকনৰ সঙ্গী আৰু সোঁহাত স্বৰূপ।

ৰতন বৰাগী— ঐ ঐ আৰু গুপ্তচৰ।

নোমল— ঐ ঐ ঐ অনুচৰ।

কলিয়া— ঐ ঐ ঐ ঐ

নালিয়া— ঐ ঐ ঐ ঐ

হৰনাথ পৰ্ব্বতীয়া বৰুৱা (দাৰোগা)—কোম্পানীৰ বিষয়া।

বৰবৰুৱা— ঐ

বৰগোহাঁই— ঐ

মণিৰাম দত্ত বৰভাণ্ডাৰ বৰুৱা— পিছত মণিৰাম দেৱান।

বাপুৰুণ— হৰনাথ দাৰোগাৰ পুতেক (সৰু লৰা)

বাটকৰা, চণ্ডৰী, লিগিৰা, পিয়লিৰ অনুচৰ আদি।

স্ত্ৰী

বৰুৱাণী—হৰনাথ পৰ্ব্বতীয়া বৰুৱাৰ পত্নী

পিয়লি-ফুকন

১ম অঙ্ক

১ম দৃশ্য

[চৰাইদেউ পাহাৰৰ নামনি। গহীন নিশা। এটা অস্পষ্ট পোহৰত দূৰৈৰ মৈদাম দেখা যায়। দুই এটা নিশাচৰ চৰাইৰ মাত শুনা যায়। পট উঠাৰ অলপ পাছতে এজন খোবা মানুহে লাখুটিত ভৰ দি লাহে লাহে সোমাই আহি মঞ্চৰ পিছফাললৈ যায় আৰু দৰ্শকলৈ পিঠি দি থিয় দিয়ে। এটা ক্ষীণ পোহৰত মাত্ৰ তেওঁক দেখা যায়—মঞ্চৰ বাকী অংশ অন্ধকাৰ। অলপ বৈ তেওঁ গহীন মাতেৰে কয়]

পিয়লি—এয়ে সেই চৰাইদেউ! স্বৰ্গদেও সকলৰ শেষ শয়নৰ ঠাই। হে ইন্দ্ৰবংশী স্বৰ্গদেও সকল! আজি আপনালোক নিৰৱে শুই আছে। এদিন আপনালোকেই মোৰ সোণৰ অসমী আইৰ সোণাময় ৰূপ দুগুণে উজলাই তুলিছিল।

দূৰ বিদেশৰ বিজাতী সেনাদলেও আপনালোকৰ বীৰ তেজ দেখি তবধ মানি শত মুখে প্ৰশংসা কৰিছিল। কিন্তু আজি! আজি আপনালোক নিৰব। এনে বিপদৰ দিনতো আপনালোকে নিৰবে শুই আছে! হে বীৰসকল! এবাৰ মাথোন ঘুমতিৰ পৰা মূৰ তোলক! এবাৰ মাথোন মোৰ দুখিনি অসমৰ মুখ খনি চাই যাওক হি! মোৰ বৰ ঘৰৰ ভেটিত আজি দুবছৰে বগা বঙালৰ খোজৰ হেন্দোল দোপ্! মোৰ কাৰী পাইকৰ হাতত আজি তীৰ ধনু নাই। মোৰ হিলৈদাৰীৰ হাতত আজি হিলৈ নাই। বীৰ লাচিতৰ দৰে ডেকাও মোৰ দেশত আৰু নাই! (বৈ) কাৰেংঘৰ আছে, কিন্তু তাত স্বৰ্গদেও নাই; ৰংঘৰ আছে, কিন্তু ৰংধেমালী তাত নাই; দেৱালয় আছে, কিন্তু পূজাৰী তাত নাই। গোটেই দেশ আজি টোপনিত লাল-কাল, আৰু সেই শুই থকা অসমীৰ বুকৰ ওপৰত তল ওপৰ কৰি ফুৰিছে বিদেশী বগা বঙাল আৰু সিহঁতৰ বহতীয়া কিছুমান বিভীষণে! ভাল বুলিবলৈ মোৰ আইৰ আজি একোৱেই নাই!

[পিয়লিয়ে কথাকৈ থাকোতেই এজন মানুহ মঞ্চত সোমৱা দেখা যায়। এতিয়া তেওঁ লাহেকৈ মাত লগালে]

ৰতন—কিয় নাই বৰ ফুকন ডাঙৰীয়া [পিয়লি উচপ খাই উঠে]

পিয়লি—কোন ?

ৰতন—মই ৰতন বৰাগী।

পিয়লি—ৰতন! তুমি এইখিনি পালাহি কেনেকৈ ?

ৰতন—ডাঙৰীয়া! মই চোৰাং চোৱা। কোম্পানীৰ আমোলা-হঁতৰ ধাতু যেনেকৈ বুজো, ডাঙৰীয়া-সকলৰ মনটিও তেনে-দৰেই বুজি পাওঁ। এটা বাতৰি দিব লগা আছিল; বহাত বিচাৰি না পাই উমানতে এইফালে আহিলোঁ।

পিয়লি—বাৰু কোৱাছোন, বাতৰি কি ?

ৰতন—গমধৰ কোঁৱৰে বাৰ দিনৰ মূৰত কোম্পানীৰ ওচৰত ধৰা দিলে।

পিয়লি—ভালেই কৰিলে। ইন্দ্ৰবংশী আহোমৰ তেজ শৰীৰত লৈ ৰণথলিৰ পৰা পলাই জীৱন বচোৱাতকৈ কোম্পানীৰ হাতত মৰা বহুত ভাল।

ৰতন—কিন্তু ডাঙৰীয়া! ৰণ-থলিৰ পৰা আঁতৰি গৈ কোঁৱৰে বৰ বেয়া কৰা নাই। কোম্পানীৰ সেনাপতি ৰাথাৰ চাহাবে হৰনাথ, ভগা বৰগোহাঁই, মন্ত্ৰী, ডেকাফুকন আটাই কেই জনকে চা'ৰিও পিনৰ পৰা বেৰি ধৰিলে। মাথোন কোঁৱৰৰ ফালে তেতিয়াও হেচা পৰা নাই। সেই বাবেই সিজনাই সকলোটি একেলগে জাহ যোৱাতকৈ এজন আঁতৰি থকাই ভাল হব বুলিয়েই আঁতৰি পৰিল। নিজৰ জীৱনলৈ মায়া উপজি তেনে কৰা নাই।

পিয়লি—কিন্তু তাৰ পৰা কি লাভ হল ৰতন ?

ৰতন—লাভ হলহেঁতেন, যদি কোঁৱৰ কেনেবাকৈ এই কাললৈ পাৰ হব পাৰিলে হেঁতেন। কিন্তু কোম্পানীৰ শেনদৃষ্টি এৰোৱা সাধ্য নহল। শেহত পলাই থাকি উপকাৰ নোহোৱা দেখি সিজনাই ধৰা দিলে।

পিয়লি—ও! তাৰ পাছে।

ৰতন—তাৰ পাছে ফিৰিঙিয়ে শোধ কৰি তেওঁক দেশৰ বাহিৰলৈ খেদাই দিলে। আৰু হৰনাথৰ বাদে আটাই কে ইজনকে পোতা শালত ৰাখিলে।

পিয়লি—হৰনাথ? হৰনাথ সাৰিলে কি দৰে?

ৰতন—বাকী কেইজনাই নিজৰ গাত দোষ পাতি লৈ কোমল-বয়সীয়া হৰনাথক সকৰালে।

পিয়লি—তেওঁ তেনে আছে ক'ত?

ৰতন—তেওঁ সিফালেই কৰবাত আছে। বাকী কেইজনক পোতা-শালৰ পৰা সকৰাই আনিবলৈ ছান্দিছে। কেনেবাকৈ কিবা কৰিব পাৰিলেই তেওঁ আপোনাৰ ওচৰলৈ আহিব।

পিয়লি—কিন্তু……

ৰতন—কিন্তু কি, ডাঙৰীয়া?

পিয়লি—কিন্তু এই কোম্পানীৰ আমোলাইঁতৰ পৰা বৰ বিপদত পৰিছোঁ ৰতন! ফিৰিঙিৰ মনত ভালৰি লগাবলৈ কৰিব নোৱাৰা কাম ইহঁতৰ নাই। মই বৰ বিবুধি হৈ পৰিছোঁ।

ৰতন—ডাঙৰীয়া! আপুনিও মন পেলাই দিলে আমাৰ কি

হব ? গমধৰ কোঁৱৰ নোহোৱাৰ পৰাই আমি আপোনা-লৈকে আশা কৰি ৰৈছোঁ। আমোলাহঁতলৈ ভয় পালে হব কেনেকৈ, ৰাইজৰ কামত বিঘিনি ঘটাবলৈকে আমোলা হঁতক আমোলা কৰা হৈছে।

পিয়লি—সিহঁত থাকিলে যে মই একো কৰিব নোৱাৰোঁ।

ৰতন—সিহঁতকো আমাৰ লগলৈ আনক।

পিয়লি—আমাৰ লগলৈ ? সিহঁতক ?

ৰতন—হয় ডাঙৰীয়া। কিন্তু কথাৰে নহয়, কামেৰে। সিহঁতৰ হিয়া শিল যেন হৈ পৰিছে। আমাৰ বুকুৰ তেজ টোপে-টোপে পৰি যেতিয়া সেই শিলো কোমলাই পেলাব, তেতিয়াহে সিহঁত আমাৰ ফলীয়া হব।

পিয়লি—ৰতন ! বুকুৰ তেজ দিয়া সহজ কথা। কিন্তু তোমাৰ মোৰদৰে অকলশৰীয়া দুই এ জনৰ তেজে তাক জানো কৰিব পাৰিব ?

ৰতন—ডাঙৰীয়া জ্ঞানী। কিন্তু এই বিষয়ত হলে আপোনাৰ লৈতে একেমত হব নোৱাৰিলোঁ। আমি দেশৰ মুক্তিৰ কাৰণে যুঁজাসকল কাহানিও অকলশৰীয়া নহয়। আমাৰ সহায়ত আছে আমাৰ দেশ আৰু আমাৰ ভগবান। পাঁচ পাণ্ডৱৰ কথা মনত পেলাওক, ডাঙৰীয়া। পোনতে—তেওঁলোক আছিল পাঁচজন ; কিন্তু ধৰ্ম্মযুদ্ধৰ সময়ত তেওঁ লোকৰ লগত লগ লাগিল সাত অক্ষৌহিণী সেনানী।

আমি আজি অকলশৰীয়া হলেও, সময়ত আমাৰ লগতো আহি দেশৰ ডেকা দলে যোগ দিবহি। আপুনি মাথোন হতাশ নহব ডাঙৰীয়া।

পিয়লি—তোমাৰ কথাবোৰ শুনি বৰ ভাল লাগে ৰতন! কিন্তু ৰতন! মোৰ ওপৰতো কোম্পানীৰ চকু পৰিছে যেন পাওঁ। সিদিনা হঠাতে আমাৰ আখৰাৰ পৰা অলপ আতঁৰতে দুটা অচিন মানুহ আমাৰ মানুহে দেখা পাই ছিল।

ৰতন—পিছে?

পিয়লি—মানুহ দুটাক মাৰি পেলাব পাৰিলো হেঁতেন!! পিছে কি জানিবা সিহঁতক মাৰিলে ওচৰতে আখৰা থকাবুলি কিবা সন্দেহ কৰে এই ভাবি সিহঁতক একো কৰা নহল।

ৰতন—ক'ৰ মানুহ কিবা বাতৰি পালেন?

পিয়লি—এতিয়াও একো পোৱা নাই যদিও পাম। আমাৰ নোমলক সিহঁতৰ পাছে পাছে পঠিয়াইছোঁ। কিন্তু ৰতন! নোমলে যে বিশেষ কিবা কৰিব পাৰিব মোৰ মনে নধৰে। তুমি এটা কাম কৰা। তুমি এতিয়াই যোৰহাটলৈ ৰাওনা-হোৱা। মোৰ বোধেৰে মানুহ কেইটা যদি ফিৰিঙিৰ-চোৰাং চোৱা হয়, তেন্তে সিহঁত যোৰহাটলৈকে যাব।

ৰতন—এৰা! ইয়াৰ এটা ভু-লোৱা আবশ্যক। মই তেনে এতিয়াই ওভোটো। পিছে ডাঙৰীয়াই আৰু এটি বাতৰি পাই-ছেনে নাই?

পিয়লি—কি ?

ৰতন—অহা ৰবিবাৰলৈ ওদালগুৰিত হৰনাথ দাৰোগাই এখন মেলা পাতিছে। তালৈ পাহাৰী মানুহবোৰকো মাতিছে। সকলোবোৰ আহিব। ফিৰিঙি পাতুৰী চাহাব এজনে হেনো কিবা ধৰ্ম্মৰ কথা কব। দাৰোগা, বৰগোহাঁই, বৰ বৰুয়া—মণিৰাম বৰ ভাণ্ডাৰ বৰুয়া আদি সকলো তালৈ যাব।

পিয়লি—মণিৰামো যাবনে ?

ৰতন—যাবতো! তেখেত হ'ল বৰ ভাণ্ডাৰ বৰুয়া, কোম্পানীৰ সোঁহাত—হৰনাথ দাৰোগাৰ লগৰে। তেওঁ নেযাব কেলৈ ?

পিয়লি—নহয়, ৰতন! মণিৰামক তোমালোকে নুবুজিবা। তেওঁ আমাৰ শত্ৰু হলেও, তলে তলে তেৱোঁ কোম্পানীক বৰ ভাল চকুৰে নেচায়। পাৰিলে মণিৰামেও সিহঁতক এসেকা দিব……যেন পাওঁ।

ৰতন—কিন্তু যদি সেয়ে হয়, তেন্তে হৰনাথৰ লগত লগ হৈ একোবোৰ কাম কৰিছে কিয় ?

পিয়লি—কিয় তেনে কৰিছে মই নেজানোঁ। কিন্তু মণিৰামৰ মন মই বুজোঁ। বোধ হয় তেঁও ভাবিছে যে সিহঁতৰ—লগতে থাকিলেই চুকতে থাকি বুকতে কামোৰ মাৰিবলৈ ভাল হব। মুঠতে মণিৰামৰ পৰা আমাৰ ভয় নাই ৰতন। আৰু মেলাৰ খবৰ কৰিবৰো আবশ্যক নাই। কেৱল সদায়

হৰনাথ দাৰোগাৰ ওপৰত চকু ৰাখিবা। এই মানুহ দুটাৰ বিষয়ে কিবা বাতৰি পালেই জনাবা। আৰু আমাৰ হৰনাথেনো কি কৰিব পাৰে তাৰো ভূ দিবা।

ৰতন—ভাল, ডাঙৰীয়া! মই যাওঁ। পিছে আপুনিও এনে ঠাইত থকা নিৰাপদ নহয়।

পিয়লি—আপদলৈ মোৰ ভয় নাই ৰতন! তুমি যোৱা। মানুহ দুটাৰ বিষয়ে যেনে তেনে বাতৰি দিবা। যদি নোমলক তাত পোৱা, তেনে তাৰ আগতে—সকলো বাতৰি দি পঠিয়াবা।

ৰতন—ভাল, মই তেনে যাওঁহে।

[সেৱা জনাই ৰতন যায়গৈ]

[ৰতন যোৱাৰ পিনে বৰফুকনে চাই থাকে]

পিয়লি—তোমাৰ দৰে যদি আৰু দুজনমান আমাৰ সহায় হল হেতেন ৰতন! পেটত আহাৰ নাই, চকুত টোপনি নাই, কিন্তু কাহানিও তুমি জিৰণি নললা। মানৰ হাতত পৰিয়ালৰ সকলো নাশ হল। কিন্তু চকুত তোমাৰ পাণী নোলাল। শোকত বলিয়া নহৈ ঠিৰ ভাবে কৰ্ত্তব্য নিৰূপণ কৰি ললা,—স্বৰ্গদেওৰ লগ হৈ মানৰ লগত যুজ দিলা।—মান গল; কিন্তু ফিৰিঙি আহিল। তুমিও সাজু হলা সিহঁতৰ লগত যুজিবলৈ। ধন্য এই পিয়লি—যে তোমাৰ নিচিনা

সঙ্গীও সি পাইছে। আজ ধন্য এই দেশ—যি দেশে তোমাৰ দৰে মানুহক জন্ম দিব পাৰে।—তোমাৰ কথা মই মনত ৰাখিম ৰতন! মই হতাশ নহওঁ, ৰতন। ক্ষুদ্র শক্তিৰে যিমান পাৰো সিমান মই কৰি যাম। ফলাফল নিশ্চয় ভাল হব; ন্যায়ৰ পৰাজয় হব নোৱাৰে।

[লাহে লাহে ৰাৱ খোজে]

পট পৰে।

২য় দৃশ্য।

[পট উঠাৰ লগে লগে তিনি জন বাটৰুৱা সোমাই আহে]

১ম মানুহ—এনেখন মেলা হলে আমাৰ সাতপুৰুষেও দেখা নাই দেই! গোটেই অর্জ্জুন গুৰিত বিৰ দি সন্ধি পাবলৈ নাই। পাহাৰা মানুহবোৰো কম আহি ছিল নে!

২য় মানুহ—এৰা গোটেই দেশ খনৰে মানুহ ভাগি ভুঁহৰি আহিল যেন পাওঁ।

১ম মানুহ—পিছে সেই ফিৰিঙি পাহুৰী জনে কি কলে মই হলে ভালকৈ বুজিব নোৱাৰিলো। কিবা "যীশু", "যীশু" বুলিলে।

৩য় মানুহ—"যীহু" নহয় 'যীশু'। যীশু হল ফিৰিঙি সকলৰ প্ৰভু ঈশ্বৰ। পাদুৰীয়ে আমাক এতিয়াৰ গোসাঁই প্ৰভুক এৰি যীশুত শৰণ লবলৈ কলে।

১ম মানুহ—ইস্ ৰাম! এনে কথা শুনাও পাপ। পিছে হয়নে আমাৰ পৰ্ব্বতীয়া বৰুয়া—দাৰোগাই যীশু বোলা জনত শৰণ ললে নেকি?

২য় মানুহ—কেলৈ লব? পাদুৰীয়ে কিবা সেই দৰে কৈছেনে? —কেলৈ পিছত দাৰোগাই কোৱা নাই বোলে ফিৰিঙি সকলে আমাৰ সৰ্গদেও সকলৰ দৰে পৰজাৰ ধৰমত হাত নিদিয়ে। যি মন কৰে তেওঁকহে পাদুৰীয়ে তেওঁৰ ধৰম লবলৈ কৈছে। বাকী বোৰৰ ওপৰত কোন জোৰ জুলুম নকৰে।

১ম মানুহ—হওঁতে কোম্পানীয়ে আমাৰ ধৰমৰ ওপৰত একো হাত দিয়া নাই।

২য় মানুহ—কিয় দিব: দাৰোগাই কোৱা মুশুনিলা বোলে— কোম্পানীয়ে আমাক তাৰিবলৈহে দেশলৈ আহিছে। আৰু তেওঁলোকে নামত হে দেশ খনৰ গৰাকী হৈছে; কামৰ বেলিকা আমাৰ দাৰোগা, বৰ ভাণ্ডাৰ বৰুয়া, বৰগোঁহাই, বৰবৰুয়া—এওঁ লোকেই দেশখন চলায়।

৩য় মানুহ—বাৰু! সেই যে গমংৰ কোঁৱৰে কোম্পানীৰ লগত ৰণ দিছিল, তেওঁৰনো কি হল?

২য় মানুহ—তাকেহে দাৰোগাই আজি কলে! এই গমধৰ, ভগা বৰগোহাঁই, কান্দুৰা ডেকাফুকন, ধৰ্ম্মধৰ মন্ত্ৰী—এওঁ লোকে ভাবে বোলে কেনেবাকৈ কোম্পানীক খেদাব পাৰিলে সিহঁত ৰজা মন্ত্ৰী হৈ থাব পাৰিব। সেই আশাৰেই আহি সিদিনা গমধৰহঁতে কোম্পানীৰ লগত যুজ দিলে। পিছে কি হব! কোম্পানীৰ সেনাপতি 'ৰথৰ' চাহাবে দুদণ্ড মানৰ ভিতৰতে সিহঁতক এফালৰ পৰা মাহ দলাদি দলি নিলে। উপায় নেপাই গমধৰ পলাল বাকী আটাই বোৰকে বান্ধি নি পোতাশালত থলে গৈ।

১ম মানুহ—গমধৰ হবপায় পলাল?

২য় মানুহ—পলাল বুলি পিছে, আহি আকৌ ধৰা দিলেহি।

৩য় মানুহ—নিজেই ধৰা দিলেনে?

২য় মানুহ—নিদিনো কি কৰিব? সাৰিব পাৰিবনে? তাতকৈ বুলিব কি জানি নিজে ধৰা দিলে অলপ ৰেহাই দিয়েই। পিছে সোধ কৰি তেওঁক দেশৰ বাহিৰলৈ খেদাই দিলে। এতিয়া মানে ছাগে বাঘে, ঘোঙে থাই মাৰিলে।

১ম মানুহ—আই ঐ দেহি!

২য় মানুহ—সেই দৰে ন কব ভকত। কোম্পানীৰ শত্ৰুৰ মৰ-মত হাৰৈ বিয়ৈ কৰিলে সুখেৰে নেসাৰিব।

৩য় মানুহ—(বাহিৰলৈ চাই) হেৰি! সৌৱা কোনোবা আহিছে যেন পাওঁ।

৩য় মানুহ—(চাই) এৰা ! (বৈ) হেৰি ! সেৱা হৰনাথ দাৰোগাহঁত নহয়নে ?

১ম মানুহ—(২য়ক) হেৰি। মোৰ কথা হলে একো নকব দেই ! মুখত ওলাল কাৰণে হে কৈছিলো।

২য় মানুহ—বাৰু, বাৰু নকওঁ। পিছে এতিয়া বলক। সিবিলাকে আহি দেখিলে আকৌ কি ভাৱে। বেলিও হেলনীয়া হ'ল।

৩য় মানুহ—এৰা বলক।

[তিনিও যায়। যাওতে ১ম জনে ২য় জনক কৈ যায়]

১ম মানুহ—আপুনি হলে পাহৰিও একো নকব দেই।

২য় মানুহ—নকওঁ। পিছে আপুনিও এনে কথা আগলৈ নকব।

১ম মানুহ—তিনি সইত খাই কৈছোঁ—মই তেনে কথা কেতিয়াও নকওঁ।

[কথা কৈ কৈ ভেওঁলোক ওলাই যায]

[অলপ পাছতে হৰনাথ দাৰোগা, বৰবৰুৱা, আৰু বৰগোহাঁই সোমাই আহে। পাছে পাছে এটা চন্তৰী]

হৰনাথ দাৰোগা—(চন্তৰীক) তই ভালকৈ কব পাৰণে ?

চন্তৰী—হয় দেউতা। ভগা বৰগোহাঁই জনৰ পুতেক হৰনাথ বোলা জনৰে এনে কাম যেন পাওঁ।

হৰনাথ দাৰোগা—কিছুমান অলায়ক মানুহৰ ওপৰত কামৰ

ভাৰ পৰিছে! বাহিৰৰ পৰা সিঙ্কি খান্দি পোতাশালৰ বন্দী পলুৱাই নিলে আৰু আমাৰ চন্তৰীহঁতে মহাসুখেৰে শুই ৰ'হ আছে।

চন্তৰী—নহয় দেউতা! সিঙ্কি ওচৰৰ পৰা খন্দা নাই। নৈৰ কাষৰ পৰা খান্দি ঠিক পোতাশালৰ মাজত ওলাইছে গৈ। আৰু সিঙ্কিয়েদি ওলাই যাওঁতে সিহঁতে সিঙ্কিৰ মুখখন ভালকৈ বন্ধ কৰি থৈ গৈছে। অলপ পাছতে আমাৰ মানুহ গল, কিন্তু কোন সুংসুত্ৰ নেপালে।

বৰবৰুৱা—ই হৰনাথ অতি ধূৰ্ত্ত। তাক এৰি দিয়াই বেয়া হল। সাপৰ কি বৰ সৰু আছে? হৰনাথ কোমল বয়সৰ হলেও তাক এৰি দিয়া ভাল নহল।

হৰনাথ দাৰোগা—সেইটো বৰ ডাঙৰ ভুল হল সঁচা। কিন্তু ই অকল হৰনাথৰে কাম নহয়। ইয়াত পিয়লি বৰ ফুকনৰো যোগ আছে। মই তাৰ বিষয়ে গম পাইছোঁ।

বৰগোহাঁই—কিন্তু সি লেডেৰাই কিটো কৰিব?

হৰনাথ দাৰোগা—নহয় বৰ গোহাঁই। লেডেৰা হলেও পিয়লি বৰফুকন বদনৰ হে পুতেক। তাক মই চিনি পাওঁ। গমধৰ কোঁৱৰক আতৰালো যদিও ইয়াৰ পৰা তাতোকৈ বেচি বিপদ হব। সময় থাকোতেই সাৱধান হব লাগিব। মই চোৰাং চোৱা পঠিয়াই সকলো ভু লৈছোঁ। কিন্তু পিয়লিহঁতে এই বাৰ কি কৰিব—তাকেহে জানিব পৰা

নাই। সিবাৰ দিখৌৰেদি অহা আমাৰ নাৱৰ পৰা খাৰ বাৰুদ ডকা দি লৈ যাওঁতেই মই সন্দেহ কৰিছিলোঁ। ইয়াৰ পাছত এটা ডাঙৰ দল আছে বুলি। তেতিয়াৰ পৰাই মই চাৰিও পিনে চকু ৰাখিছো। বাৰু চন্তৰী! তই যা। কাপ্তান চাহাবক মোৰ চালাম দি কবি বোলে দাৰোগা দেউতাই কাইলৈ পুৱা তেখেতৰ লগত কথা হবৰ মন কৰিছে।

চন্তৰী—ভাল দেউতা!

[বৰ দীঘল কৈ চালাম দি চন্তৰী অহা—কালেই উভটি যায়]

হৰনাথ দাৰোগা—বলক বৰ বৰুয়া! চোৱাই যাওক। ইহঁত বাৰবাৰে আমি তেৰ বে।

বৰ বৰুৱা—আপুনি বৰকৈ চিন্তা ন কৰিব দাৰোগা ডাঙৰীয়া। অলপ পাণীৰ মাছে ছটফটাই থাকেই, কিন্তু বেচি পৰ নিজীয়ে। আমি ও চকু ৰাখিম। এতিয়া ব'লক।

হৰনাথ দাৰোগা—ব'লক! বেলিও বহুত হল।

[তিনিও যায়। হৰনাথ আগত আৰু বাকী দুজন পাছে পাছে যায়।]

৩য় দৃশ্য

ফুকনৰ আখৰা

[কেটামান মানুহে বহি ধেনুকাৰ চাঁচি বহি আছে। এটাৰ নাম কলিয়া আৰু হটোৰ নাম নালীয়া। কলিয়াই সুৰ লগাই দেৱ ভটিমা গাইছে]

পৰম পুৰুষ　　পুৰাতন পাপী
পাৱণ ঈশ্বৰ দেৱ।
ব্ৰহ্মা ৰুদ্ৰ　　আদি দিক্‌পাল
যাকু কৰত নিত্য সেৱ॥
যক্ষ ৰক্ষ　　বিপক্ষ লক্ষ
লক্ষ ক্ষয়স্কাৰী।
দুষ্ট দৈত্য দানৱ　　দলন দীন দাৰিদ্ৰ্য
দুঃখ ভয়হাৰী॥
অয বুক কুবলয়　　ধেনুকে কেশী
কংশ নাশী বনমালী।
গোপী-পিন-পয়োধৰ　　ঘৰিষণ চঞ্চল
কৰ যুগ-শালী॥

[নামৰ শেষৰ শাৰী গাই থাকোতেই নোমল সোমাই আছে। গান শুনি সি অলপ হাঁহে। তাক হঁহা দেখি কলিয়াই নাম বন্ধ কৰি তাক সোধে]

কলিয়া—তই দেখোন দাঁত কেইটা উলিয়াইছ !

নোমল—তোৰ নামৰ কোবত। এইটো কণুৱাৰ আথৰা। এনেকৈ টৈটুফালি চিঞৰি থাকিলে কেতিয়াবা বগা বঙ্গালে এটাই কেইটিকে সিফলীয়া কৰিব।

কলিয়া—কি কলি, নোমল ?

নোমল—বোলে কম কিটো, যিটো কৈছো সেই টোকে কৈছো।

কলিয়া—হোঃ। বগা বঙাল ! হেৰ, অমুকাহঁতক চুব পাৰেণে সিহঁতে ? শুন, নালীয়া এই পাতৰ কথা শুন !

নালীয়া—(গম্ভীৰ ভাৱে) নোমল ! সেই বাধা ফকিণিৰ নাম শুনিছ নহয় ? আমিও মোৱামৰীয়াহে !

নোমল—জানো মোৱামৰীয়া বুলি ! পিছে তেৰাসৰে বাৰুদ ধৰিছিল আচল পাতি ; তই জানো কিবা ৰিহা মেখেলা পিন্ধ ? নে আজি কালি এই বিধ এৰি সিবিধত ধৰিছ ?

নালীয়া—কেলেই পিন্ধিব লাগিছে ৰিহা মেখেলা ! এই দাল থোৰ দেখিছো নহয় ; (থোৰটো দেখুৱাই) ইয়া ৰেই ধৰিম।

নোমল—পিছে এটা কও, ককাইটিহঁত, দোষ নধৰিবি। আচল পাতি তহঁতে আহোমৰ বাৰুদহে ধৰিছিলি ? ফিৰিঙি আহিলতে দেখোন পলাই ফাট মাৰিলি।

কলিয়া—তোৰো আক লাজৰ নামে সমূলিকে নাই, নোমল ! বগা বঙালৰ লগত হাৰিলো বুলি যে আমাক হাঁহিছ,

এতিয়া দেখোন তত তহে সিহঁতৰ তলহলি ! আমি মোৱা মৰায়া এতিয়াও চোৱাধীন নামৰূপৰ পৰজা ।

নালীয়া— হেৰৌ । বগা বঙালৰ ভয়ত দেখোন তহঁতে আহি এই মোৱা মৰীয়া ৰাজ্যতহে বাহ লৈছহি । এই যে আখ-ৰা:টা ইয়াত আমাৰ ৰাজ্যত পাতিলেহি, কেলৈ, ফিৰিঙিৰ ৰাজ্যত হাবি-এৰা-বাৰীৰ অভাৱ ·····হৈছিলেনে ?

নোমল—ইস্ । চোৱাধীন বীৰ পুৰুষ কেই জন চোৱা ! ৰ ৰাপেৰে । বেচি দিন থাকিব নালাগে । স্বৰ্গদেওক চল কৰি ভঙাৰ দৰে তহঁতৰ ৰজাকো ভাঙেহে লাগে ।

[নোমলৰ কথা শুনি কলিয়াৰ মনত অলপ সন্দেহ হয়]

কলিয়া—নোমল ! তই দেখোন বৰ গহীন কথা কৈছ ? কিবা গম পাইছ নেকি ?

নোমল—(গৰ্ব্বেৰে) ভূ-ভাৰতৰ সকলো খবৰ মই পওঁ বুজিছ ! সিদিনা যে সেই অচিন মানুহ দুটা [হঠাৎ কথাৰ সুৰ সলাই] বাৰু ! বাৰু ! সেই বোৰ কথা তহঁতে শুনিব নালাগে । সেই বোৰ দেউতাহঁতৰ আগত কোৱা কথাহে !

নালীয়া—এনে কৰ কাৰনেই তোক দুচকু পাৰি দেখিব নোৱাৰো । কবলৈ মন নাই যদি মুখ মেলিছিলি কিয়—? এতিয়া মনটো কিবা কিবা লাগিছে নহয় ?

নোমল—কেলেই তই জানো থোৰ পাতি বাৰুদ ধৰা টো নহয় ? তোকো ভয় লাগেনে ?

কলিয়া—আমি কিবা ভয় লাগিছে বুলিছোনে ?

নালীয়া—তই তেনে নকৰ ?

নোমল—এৰা !

নালীয়া—নকৰ ?

নোমল—(মূৰ জোকাৰি) ওহোঁ !

নালীয়া—তেনে ওলা ইয়াৰ পৰা। নেচাওঁ তোৰ মুখ !

নোমল—যদি নোলাওঁ ?

নালীয়া—তেনে আমি ওলাই যাম।

নোমল—যা ! মই কিবা ভৰিত ধৰিছোনে থাকিবলৈ ?

নালীয়া—যাওঁ ?

নোমল—যা !

নালীয়া—ঠিক ?

নোমল—তোৰে শপথ !

নালীয়া—ব'ল কলিয়া। নুশুনো ইয়াৰ কথা, নেচাওঁ ইয়াৰ মুখ।

কলিয়া—হয়, ব'ল।

নোমল—যাৱ নেকি নালীয়া ?

নালীয়া—যাওঁ। নুশুনো [আগ বাঢ়ে]

নোমল—বাক, বাক, আহ। কওঁ বাক। [দুয়োটা ওচৰ চাপেছি]

কলিয়া—এৰাটো আমাৰ নোমল ককাইটিনে কোন। ক, ককাইটি।

নোমল—কি কব লাগে ভাইটী ?

কালীয়া—আকৌ চুপটি। ব'ল, ব'ল, কলিয়া। ইহাৰ লগত নাথাকোঁ।

[দুয়োটা ঢুপ ঢুপাই ওলাই যায়।]

[নোমলে সিহঁত যোৱাৰ পিনে চাই হাঁহে। সি তেনেকৈ হাঁহি থাকোতেই ইফালৰ পৰা পিয়লি বৰ গোহাঁই সোমাই আহে]

বৰ গোহাঁই—হেৰ, তই বলিয়া হলি নেকি ? অকলশৰে হাঁহি আছ দেখোন ?

[নোমলে লাজ পাই উঠি সেৱা জনায়]

তই আহি পালিহি কেতিয়া ? আৰু আহি পাই ইয়াত বহি আছহি যে, বাতৰি দিয়া নাই কিয় ? কিবা গম পালিনে কৰ মানুহ সেই কেইটা।

নোমল—হয় বৰ গোহাঁই দেউতা। সেই মানুহ দুটা আমাৰ এই হাবিৰ পৰা ওলাই যোৰহাটৰ ফালে গ'ল। ময়ো সিহঁতৰ পিছ ললোঁ। মানুহ দুটা গৈ নগৰ পায়েই হৰনাথ দাৰোগাৰ ঘৰ সোমাল।

বৰ গোহাঁই—তাৰ পিছে ?

নোমল—নগৰত আকৌ মই আমাৰ ৰতন বৰাগীক লগ পালোঁ।

তেওঁ ইয়ালৈ আহি বৰফুকন ডাঙৰীয়াক লগ পাই গৈছে। মোক বোলে' তই যাগৈ, মই বাতৰি লৈ গৈছোঁ। তেওঁ আৰু এটা বৰ ভাল বাতৰি দি পঠাইছে। গমধৰ কোঁৱৰৰ লগৰ যি কেইজন ডাঙৰীয়াক ফিৰিঙিয়ে পোতাশালত ৰাখিছিল, ধনজয় ভগা বৰ গোহাঁইৰ পো হৰনাথে তেওঁলোকক পলুৱাই আনিলে।

পিয়ালি বৰ গোহাঁই—(আনন্দৰে) পলুৱাই আনিব পাৰিলে?

নোমল—হয় দেউতা। •

পিয়ালি বৰ গোহাঁই—তেওঁলোক তেনে ক'ত এতিয়া?

নোমল—ৰতন বৰাগীয়ে ক'লে বোলে আটাই কেউজন একেলগে অহা নিৰাপদ নহয় দেখি ভগা বৰ গোহাঁই, কান্দুৰা ডেকা ফুকন আৰু মন্ত্ৰী জয়সাগৰৰ ওচৰত ক'ৰবাত গা ঢকা দি আছে। হৰনাথ অকলশৰে আমাৰ এই আথৰাৰ ফাললৈ আহিছে। তেখেত বৰফুকন ডাঙৰীয়া আৰু আপোনাৰ লগত এক হৈ এইবাৰ নতুন কৈ কামত লাগিব।

পিয়ালি বৰ গোহাঁই—বৰ সুখৰ খবৰ দিলি নোমল! তই এতিয়া যা। বৰফুকন ডাঙৰীয়া বহাতে আছে, তই খবৰটো দেগৈ।

নোমল—ভাল দেউতা! (নোমলৰ সোব জনাই প্ৰস্থান)

পিয়ালি বৰ গোহাঁই—এন্ধাৰৰ মাজতো অলপ পোহৰ দেখা পাইছোঁ। গমধৰ কোঁৱৰে নোৱাৰিলে। এইবাৰ পিয়লি আৰু পিয়ালিৰ চেষ্টা। দেখা যাওক কি কৰিব পৰা হয়।

ভগবান! এইবাৰ যেন সফল কৰা। অত্যাচাৰী মান আৰু তেজ শোহা বগা বঙালৰ হাতত পৰি মোৰ আই আজি জুকলা হ'ল। সহায় কৰা ভগবান! যেন আইক মোৰ ৰক্ষা কৰিব পাৰোঁ।

[লাহে লাহে যায় গৈ। পট পৰে।]

৪র্থ দৃশ্য

[পিয়লি বৰফুকনৰ আগচৰা। বৰ পিৰাত ফুকন বহি থাকে। সোঁহাতে পিকদান আৰু গছাৰ ওপৰত চাকি। বৰ পিৰাৰ দাতিতে লাখুটি দাল আছে। বেৰত যাঠি, হেং দাং, বৰজাপি আদি ধুনীয়া আৰি থোৱা বস্তুৱে ঘৰটোক পুৰণি কলীয়া ঘৰৰ দৰে কৰি তুলিব লাগিব। আগফালে বাওঁফালে এখন পিৰাত হৰনাথ বহি আছে। সোঁফালে পিৰা এখন পাৰি থোৱা আছে। ফুকনৰ আগত শৰাইত তামোল কাটিবৰ পুৰনি কলীয়া সৰঞ্জাম]

বৰফুকন—তোমাৰ এনে সাহ দেখি মই মোৰ হেৰোৱা বল ঘুৰাই পাইছোঁ, হৰনাথ। তুমি যি দৰে বুদ্ধি খটাই সিন্ধি খানি দেউতাৰহঁতক পলুৱাই আনিলা, মই শুনি তবধ মানিছোঁ। তুমি ধনঞ্জয় ভগা বৰ গোহাঁইৰ উপযুক্ত পো।

[হৰনাথে লাজ কৰি কয়]

হৰনাথ—মিছাইনো প্ৰশংসা কৰিছে কিয় ডাঙৰীয়া। এতিয়া যি কাম বাকী আছে তাক কৰিব পৰাহে আচল কথা।

বৰফুকন—সেইটো অৱশ্যে হয়। কিন্তু মোৰ বিশ্বাস তোমাৰ দৰে সাহসী লোক যাৰ সহায়ত, তেওঁলোকৰ কাম নিসিজি নোৱাৰে। বুজিছা, হৰনাথ। গমধৰ কোঁৱৰ যেতিয়া ৰণৰ পৰা পলাই গ'ল, মই তেতিয়া হতাশ হৈ পৰিছিলোঁ।

হৰনাথ—কোঁৱৰ পিছে মৰিবৰ ভয়ত পলাই যোৱা নাছিল।

বৰফুকন—হয়, মই ৰতন বৰাগীৰ মুখে সকোলো শুনিছোঁ। সেই দিনা মোৰ হতাশ হোৱা মনক বল দিলে ৰতন বৰাগীৰ মুখত তুমি নিৰাপদে থকাৰ খবৰে আৰু বৰাগীৰ উদ্‌গনি দিয়া বাক্যই। আজি আকৌ যেতিয়া তোমাক লগ পাইছোঁ, তেতিয়া আৰু মোৰ দৃঢ় বিশ্বাস হৈছে—আমি কৃতকাৰ্য্য হমেই।

হৰনাথ—সেই বিষয়ে নিসন্দেহে থাকক, বৰফুকন ডাঙৰীয়া। আপুনি মাথোন আমাক বুদ্ধি ভৰষা দিয়ক, কৃতকার্য্য আমি হমেই।

বৰফুকন—মই হওঁতে এটা বুদ্ধি পাঙিছোঁ। তোমালোকে বা কেনে দেখা ? এনেতে বাহিৰত কোনোবাই মাতে—

[বৰফুকন ডাঙৰীয়া]

বৰফুকন—অ ! পিয়ালি বৰগোহাঁই আহিছে ! আহা, আহা।

[বৰগোহাঁই আহে।]

পিয়ালি বৰগোহাঁই—এয়া হৰনাথ দেখোন ! কেতিয়া পালাহি ?

হৰনাথ—অলপ পৰ হ'ল।

পিয়ালি বৰগোহাঁই—পিছে এতিয়া কি কৰো বুলিছা ? [বহে]

বৰফুকন—তাকে আমি আলচি আছিলোঁ। তুমি ও আহিলা ভালেই হ'ল।

পিঃ বৰগোহাঁই—ডাঙৰীয়াৰ বুদ্ধিটো মোৰ হলে বৰ ভাল লাগিছে। হৰনাথে বা কেনে দেখে ?

হৰনাথ—কওকছোন বাক কিনো ভাবিছে।

বৰফুকন—ফিৰিঙিহঁতৰ বল দিনে দিনে বাঢ়ি গৈছে। এনেস্থলত যদি আমি অকলশৰে এমুঠি মানুহলৈ

কোম্পানীৰ লগত যুজোঁ, তেনে এইবাৰো আমাৰ হাৰ হব পাৰে। সিহঁতক আমি চাৰিও ফালৰ পৰা আক্রমণ কৰিব লাগিব।

হৰনাথ—ডাঙৰীয়াই তেনে কাৰোবাৰ এই মানহঁতৰ বা আনকাৰোবাৰ সহায় লোৱাৰ কথা ভাবিছে নেকি ?

বৰফুকন—মানবোৰৰ ? নহয় হৰনাথ ! দেউতা বদন বৰফুকনে যি ভুল কৰি গৈছে, মানক দমাবলৈ কোম্পানীৰ সহায় লৈ স্বৰ্গদেও চন্দ্ৰকান্ত সিংহই যি ভুল কৰিলে, সেই ভুল আমি আৰু নকৰোঁ। এক শত্ৰুক দমাবলৈ অন্য শত্ৰুৰ সহায় লোৱা মানে সিহঁতক আনি নিজৰ বৰঘৰ দেখুৱাই দিয়া।

হৰনাথ—কিন্তু ডাঙৰীয়া! অসমত দেখোন তেনেমানুহ দেখাই নাই। যিবা স্বৰ্গদেৱ আছে, তেখেতো নামতহে ! তাৰ উপৰিও কোম্পানীয়ে সিজনাৰ ওপৰত সদায় চকু দি আছে।

বৰফুকন—আৰু মানুহ আছে, হৰনাথ। বুদ্ধিৰে সন্ধিৰ বাটেো কাটিব পাৰি। আমাৰ চাৰিও ফালে যে এই পাহাৰী জাতিবোৰ আছে সিহঁতক আমাৰ ফলীয়া কৰি লব লাগিব।

পিঃ বৰগোহাঁই—কিন্তু আমি বৰ সাৱধান হব লাগিব,ডাঙৰীয়া। কোম্পানীয়ে ইতিমধ্যেই সিহঁতক হাত কৰি লবলৈ চেষ্টা

কৰিলে। বহুতক স্বাধীন বুলি মানি লৈ সিহঁতৰ লগত মিত্রতা কৰিছে।

হৰনাথ—এৰা ডাঙৰীয়া! সিহঁতক বুজাব পৰা হব জানো?

বৰফুকন—কোম্পানীয়েনো কিয় সিহঁতৰ লগত মিত্রতা কৰিব খুজিছে তাক আমি সিহঁতক বুজাই দিব লাগিব। কোম্পানীয়ে সিহঁতকো এদিন নহয় এদিন তলতীয়া কৰিব বুলিয়েই আজি সিহঁতৰ বন্ধুৰ ভাও ধৰিছে। এই পাহাৰী মানুহ বোৰৰ সৰল অন্তৰত যদি এবাৰ বগা বঙালৰ প্রতি বেয়া ভাব সুমাই দিব পাৰি, তেন্তে কোম্পানীক ইহঁতেই এসেকা দিব।

হৰনাথ—আপোনাৰ বুদ্ধি যে বৰ সুন্দৰ হব তাত সন্দেহ নাই, কিন্তু বৰ কঠিন হব।

পিঃ বৰগোহাঁই—হৰনাথ। আমি জীৱন পণ কৰি দেশৰ ভালৰ কাৰণে কাম কৰিম বুলি ওলাইছোঁ। এনে স্থলত যদি কামৰ কঠিন ৰূপ দেখি ভয় খাওঁ, তেন্তে জানো আমাৰ উদ্দেশ্য সফল হব?

হৰনাথ—ময়ো ভয় খোৱা নাই, বৰগোহাঁই! মই মাথোন কামৰ গুৰুত্বৰ কথাহে কব খুঁজিছিলো। বাৰু, এতিয়ানো বৰফুকন ডাঙৰীয়াই কেনে ভাবে কাম আৰম্ভ কৰিবলৈ কয়?

বৰফুকন—এতিয়া প্রথমে আমি চাৰিও ফালে পাহাৰ বোৰলৈ

যাব লাগিব। মোৰ মনেৰে তুমি হৰনাথে এতিয়া তোমাৰ দেউতাৰ আৰু ডেকাফুকনহঁতক লগ ধৰি নিজৰ ভিতৰতে কোন কেনি যাবা স্থিৰ কৰা। আৰু বৰগোহাঁয়ে মযে ইয়াত আখৰাত নতুনকৈ শিকাই বুজাই লোৱা মানুহ বোৰক লৈ সাজু হৈ থাকিম। যি কোন সময়তে তোমালোকৰ পৰা কোন খবৰ পালেই আমি ইফালে আক্রমণ কৰিম।

পিঃ বৰগোহাঁই—যদি অৱশ্যে হৰনাথে ইচ্ছা কৰা তেন্তে তুমি ইয়াত আখৰাত মানুহ বোৰৰ লগত থাকিব পাৰা। মই সিফালে যাওঁ।

হৰনাথ—নহয়, আপুনি ইয়াতে থাকক। ময়েই সিফালে যাওঁ।

বৰফুকন—সেয়েই ভাল হব। মোৰ মনেৰে হলে তুমি শদিয়া খোৱা গোহাইৰ ওচৰলৈ যোৱাই ভাল হব।

পিঃ বৰগোহাঁই—শদিয়া খোৱা গোহাঁই কোম্পানীৰ বৰ ভক্ত।

বৰফুকন—সেই কাৰণেই হৰনাথ তালৈ যোৱা ভাল হব। তুমি নোমলকো লৈ যোৱা।

হৰনাথ—ডাঙৰীয়াই মোকেই এনে কামৰ উপযুক্ত বুলি ভবাত মই বৰ গৌৰব বোধ কৰিছোঁ ডাঙৰীয়া! পিছে মই এতিয়া ৰাওনা হওঁ বুলিহে ভাবিছোঁ। ৰাতিটোৰ ভিতৰতে বহুত যাব পাৰিম। তাত কিহয় মই নোমলক পঠিয়াই জনাই থাকিম।

বৰফুকন—আমাৰ ইয়াৰ আয়োজনৰ বিষয়েও তুমি ভয় ন কৰিবা। আখৰা দেখিলাই নহয়। সেই তিনিশ মানুহৰ প্ৰত্যেকটোৱেই সুন্দৰকৈ তীৰ, বন্দুক চলাব পাৰে। সেইবাৰ মাত্ৰ কেইটামান মানুহ লগত লৈয়েই কোম্পানীৰ দিখৌৱেদি অহা আটাই কেইখন নাওঁ ডকা দি সকলো খাৰ বাৰুদ লৈ আহিল।

পিঃ বৰগোহাঁই—এৰা, সেই ঘটনাৰ পৰাই মোৰ দুগুণে সাহ হৈছে।

হৰনাথ—ময়ো শুনিছোঁ সেই বিষয়ে। এইবাৰ এফালে বৰগোঁহাইৰ সৈন্য, আনফালে পাহাৰী মানুহবোৰৰ আক্ৰমণত বগা বঙালে আমাৰ দেশ এৰিব লাগিব।— পিছে মই এতিয়া যাওঁ। আহোঁহে বৰগোহাঁই।

[নমস্কাৰ কৰে]

পিঃ বৰগোহাঁই—ভাল যোৱা।

[হৰনাথ যাবলৈ ওলোৱাত পিয়লি ফুকনে লাঠি ডালত ভৰদি উঠিব খোজে ; কিন্তু হঠাৎ লাঠি ডাল পিছলি আগত থকা গছাটোত লাগে আৰু চাকিটো পৰি নুমাই যায়। বাওঁফালৰ চাকিটো তেতিয়া ও জ্বলি থাকে। হৰনাথে বৰফুকনৰ মুখলৈ চায়। বৰগোহাঁয়ে চাকিটো তুলি দি লাহে লাহে কয়]

পিঃ বৰগোহাঁই—কোম্পানীৰ বস্তিও এনেদৰেই স্নুমাব, হৰনাথ! ব'লা, মই তোমাক আগবঢ়াই থৈ আহোঁ।

[হৰনাথে একো নামাতে। দুয়ো ওলাই যায়]

[বৰফুকন লাহে লাহে উঠে আৰু মঞ্চৰ আগ-ভাগলৈ আহি আপোন মনেই কৈ উঠে—]

বৰফুকন—কোম্পানীৰ বস্তি স্নুমাব।

[বৰফুকন যেন ভাবত আপোন পাহৰা হৈ থাকে]

পটপৰে।

২য় অঙ্ক

১ম দৃশ্য

[দাৰোগাৰ ভিতৰ চোতাল। বৰবকৰানীয়ে পিৰা এখনত বহি শাক কাটিছে। ওচৰত তামোল পানৰ বটা। মুখেৰে গুণ-গুণকৈ নাম গাইছে]

মাহে নিস্তাৰ কাৰিনী
মাহে নৰক বাৰিণী
নিশুম্ভ শুম্ভ ঘাতিনী কি মাহে
নিস্তাৰ কাৰিণী।

[বৰ বকৰানীয়ে গাই থাকোতেই পুতেক বাপুকণ লৰ মাৰি সোমাই আহি মাকক গাত ধৰি কয়]

বাপু—আইতা! আইতা! বৰাগী ককাই আহিছে, আইতা! ইয়ালৈকে মাতি আনো, আইতা!

বকৰানী—মাত আকৌ! বাহিৰতে এৰিথৈ আহিব পাৰনে? যা, যা—

[বাপুকণে লৰ মাৰি সোমাই যায়। বকৰানীয়ে কাপোৰ কানি ভালকৈ লয়। বাপুকণৰ হাতত ধৰি বৰাগী সোমাই অহা দেখিয়েই বকৰানীয়ে ওৰণি খন টানি লয়]

ৰতন—সেৱাহে আই দেও !

বকুৱানী—[পিৰা এখন আগবঢ়াই দি] বহা, বৰাগী ককাই ! পিছে ভালে আছানে ?

[শাক থৈ তামোল কাটিবলৈ লয়]

বৰাগী—আমাৰনো আৰু কি ভাল বেয়া বুলিবলৈ আছে, আই দেও ! সকলো সিজনাৰ ইচ্ছা। বোলে 'ৰাখে হৰি মাৰে কোনে, মাৰে হৰি ৰাখে কোনে।'—পিছে আপোনা সৱৰো ভাল নহয়, আইদেও ?

বকুৱানী—ভালনো কেনেকৈ বুলিবা, বৰাগী ককাই। দেউতাকে দেখোন আজি কেইদিন মান ভাত চুইছেহে। বাপুকনটোও গোটেই শুকাই খীনাই কুম ওলাই গৈছে।

ৰতন—এৰা বোপাটি তেনেই শুকাই গ'ল। আগেয়ে কেনে থুলন্থুৰটি আছিল। চাওঁ বোপাটি ! [বাপুকন ওচৰলৈ আহে। বৰাগীয়ে মুখত হাত ফুৰায়]

বকুৱানী—নকবা' আৰু। বস্তু বাহানি যিহে মহঙা হ'ল। তাকো আকৌ ধন ভাঙিলেও পাবলৈ নাই।

বাপু—[নিজৰ মুখত হাত ফুৰাই] মইনো বাৰু ক'তা খীনাইছো ! আইতাই মোক সদায়ে খীনোৱাকে দেখি থাকে। সৌ সিহঁতৰ ঘৰৰ মইনাহঁতে সদায় কয় বোলে মই বৰ শকত হৈছো।

বকুরানী—মইনাইঁতে কৈ কৈয়েই তোৰ মুখ লগালে।

[ববাগীক তামোল দিয়ে]

বাপু—মইনাইতৰ কেলেই মুখ লাগিব ? সিইঁতে মোক ইমান ভাল পায়। বাৰু, আইতা! ববাগী ককাই ইমান দিনৰ পিছত আহিছে, তই আকৌ শুকোৱা খীনোৱাৰ কথা কৈছ? ককাই তুমি গীত এটা গোৱা।

বকুরানী। এৰা। বহুত দিন তোমাৰ গীত শুনা নাই। ক'তনো পাতালত সোমাই ছিলা, গোৱা এটা। মই তামোল এখনকে কাটোঁ।

ৰতন—আই:দৰে কৈছে যেতিয়া গাওঁ আৰু।

[কৰতাল মোনাৰ পৰা উলিয়াই গাবলৈ আৰম্ভ কৰে]

[গীত]

"কিযনো আনিলি মানে ঐ বদন তই
কিযনো আনিলি মান
সোনালী দেশক তই বাঙলী কৰিলি
চকুলোৰ আনিলি বান।
সোণৰ স্বৰগলৈ নৰক তই নমালি
শতৰুৰ বঢ়ালি মান
অসমৰ বাইজৰ ঘৰত জুই লগালি
কাললৈ ৰাখিলি নাম॥

বাপু—তুমি বৰ ধুনীয়া গীত গাব পাৰা, ববাগী ককাই!—
বাৰু, এইটোক কি গীত বোলে?

ৰতন—বদনৰ গীত।

বাপু—বদনেনো বাৰু মান আনিলে কেনৈ, আইতা!

বকুৱানী—সেইবোৰ বহু তো কথা বাপু!

বাপু—কোৱাছোন আইতা! মোৰ বৰ শুনিবৰ মন গৈছে।

বকুৱানী—মোৰ এতিয়া আহৰি নাই, বোপাই! তই ববাগী ককাইৰ ওচৰতে বহ, তেওঁ কব। ককাই তুমি ইয়াৰ লগতে বহা দেই। মোৰ আকৌ চৰুত সোমাবৰ হ'ল, দেউতা কো অহিব এতিয়াই।

ৰতন—আপুনি যক আইদেও! মই বোপাটিক সাধু শুনাওঁ।

[বকুৱানীয়ে শাক পাচলি আৰু তামোল পানৰ বটানৈ সোমাই যায়]

বাপু—কোৱা ককাই!

ৰতন—আজি কেবা বছৰৰ আগৰ কথা। তেতিয়া আমাৰ দেশত আমাৰ নিজৰ স্বৰ্গদেও আছিল। আৰু তেওঁৰে বৰফুকন আছিল বদন। স্বৰ্গদেওৰ আদেশ অনুসৰি এই বৰফুকন সকলে গুৱাহাটীত থাকি নামনি অসম শাসন কৰিছিল। সেই সময়ত দেশৰ ভিতৰত, এতিয়া যেনেকৈ তোমাৰ দেউতাৰ কোম্পানীৰ সোঁহাত, তেতিয়া তেনেকৈ স্বৰ্গদেওৰ সোঁহাত আছিল পূৰ্ণানন্দ বুঢ়া

গোহাঁই। বদন বৰফুকনে এই পূৰ্ণানন্দ বুঢ়া গোহাঁইক পেটে সমন্বিতে যৰ বাক নেপাইছিল। তদুপৰি বদনে বোলে গুৱাহাটীৰ দিনে স্বৰ্গদেওৰ প্ৰজা সকলৰ ওপৰত মাজে মাজে বৰ অত্যাচাৰো কৰিছিল। এনেকৈ—

[এনেতে ভিতৰত কোনোবা অহাৰ গম পোৱা গ'ল। প্ৰথমে লগুৱা এটা ৰূপৰ ঘুৰঘুৰী আৰু বৰপিৰা এখন লৈ আহি সোমাল। বৰপিৰা পাৰি ওচৰতে ঘুৰঘুৰীটো থলে]

লগুৱা—ৰবাগী ককাই! ভালে আছা?

ৰতন—আছোঁ আৰু বোপাই কোনো মতে। দেউতা ওলাবৰ হ'ল নে?

লগুৱা—ওঁ! আহিছে।

[শুদা গাবে কান্ধত ফুলবছা গামোছা এখন পেলাই লৈ দাৰোগা সোমাই আহে। ভৰিত খৰম। ৰবাগীয়ে সেৱা জনায়]

দাৰোগা—অ! ৰতন দেখোন! কৰ পৰা আহিলা?

ৰতন—এৰা দেউতা! নানা লেঠাত পৰি এই দিনে মুকে কৰিব পৰা নাই। আজি বোলে দেউতাক এবাৰ সেৱা জনাই আহোগৈ।

বাপু—দেউতা! ককায়ে যিহে ধুনীয়া বদনৰ সাধুকথা কৈছে। বদনৰ গীতো গালে। কোৱা ককাই, দেউতাইও শুনক।

ৰতন—দেউতাই সেইবোৰ কথা জানেই নহয় বোপাটি।

মই এতিয়া দেউতাৰ লগত কথা হওঁ; তোমাক অইন এদিন আহি লাধুটো কমহি দেই।

বাপু—ইস্। নহয়। আজিয়েই কৰ লাগিব।

দাৰোগা—তই মানুহক বৰ দিগ্ দিয়। এতিয়া যাছোন; খেমালি কৰগৈ। সদায় আহিব নহয়।

[বাপুকনে একো নামাতি মুখ ওন্দোলাই লাহে লাহে যায়]

ৰতন—এস্। বোপাটিয়ে মুখ খনি ওন্দোলাই পেলালে।

দাৰোগা—নকবা, তাৰ বৰ বেগেতে ওফোন্দ লাগে। মই পিছে এই লৰা ছোৱালীৰ লগত বৰকৈ কথা পাতি থাকিব নোৱাৰো।

ৰতন—মই বদনৰ গীত গাইছিলো; তাকে শুনি বোপাটিৰ-আকৌ বদনৰ কথা শুনিবৰ মন গ'ল।

দাৰোগা—তাৰ গপ পিছে বেচি বেলি নাথাকে। পিছে ৰতন! এইবাৰ বৰ বিপদত পৰিছোঁ। বদন নাই হয়, কিন্তু তাৰ জনি হলে মৰা নাই।

ৰতন—দেউতা! (ভয় খোৱা যেন দেখুৱাই) মান আহিব নেকি আকৌ?

দাৰোগা—তোমালোকৰো ভয় দেও! এই কোম্পানীৰ দিনতনো মানে তেনে সাহ কৰিব পাৰেনে? মানৰ দেশৰ এফালো এতিয়া কোম্পানীৰ হাতত।

ৰতন—তেনেহলে দাৰোগা দেউতাই কিহৰ জনি নমৰাৰ কথা কলে ?

দাৰোগা—নকবা, বুজিছানে। সেই বদনৰ উৎপতীয়া পুতেক পিয়লিটোৰ কথা শুনিছো নহয় ?

ৰতন—শুনিছোঁ, সেই খোৰাটো নহয় জানো ?

দাৰোগা—এৰা। সি বোলে এইবাৰ কোম্পানীৰ লগত যুঁজ দিয়ে।

ৰতন—কাৰ লগত বুলিলে দেউতা ?

দাৰোগা—এই আমাৰ কোম্পানীৰ লগত।

ৰতন—(ঠাট্টাৰে হাঁহি) দেউতাই হলে হহুৱালেহে! সি তাৰ লাথুটি দালেৰে যুজিব নেকি ?

দাৰোগা—নকবা, ৰতন! সি বৰ ভয়ানক মানুহ। বদনৰ পুতেক হে। খোৰা হলে কি হব, বৰ শিয়াল।

ৰতন—এৰা হওঁতে হয়। বদনেনো কমটো কৰিলেনে ? গোটেই ৰসাতলে নিয়ালে। তেনেতে ফিৰিঙি সকল আহিলে বুলিহে ৰক্ষা।

দাৰোগা—এইবাৰ সি তাতোকৈ চৰা কৰিব খুজিছিল। সি পাগু পাতি আমাক নগা, খামটিহঁতৰ হতুৱাই আক্ৰমন কৰিছিল। পিছে ধৰা পৰিল বুলিহে ৰক্ষা।

ৰতন—পৰিলনে ধৰা ? হওক তেওঁ। দেউতা! সিজনা আছে নহয়। এই হেন অগুণকাৰীক তেৰাই কেতিয়াও

ক্ষমা নকৰে। কোম্পানীয়ে আমাক ৰক্ষা কৰিলে, এতিয়া আকৌ সি সেই কোম্পানীৰে লগত যুঁজ দিয়ে।— পিছে ধৰা পৰিল কেনেকৈ? এতিয়ানো পিছে তাক ক'ত থোৱা হৈছে?

দাৰোগা—তাক এতিয়াও ধৰিব পৰা নাই। সেই ধনঞ্জয় ভগা বৰ-গোহাঁইৰ পো হৰনাথ বোলাটোহে ধৰা পৰিছে। সি পিয়লিৰ লগ লাগি আমাৰ শদিয়া খোৱা গোহাঁইক ফুচুলাবলৈ গৈছিল।

ৰতন—ইস্ ৰাম! পিছে?

দাৰোগা—পিছে গোহাঁই কিয়া তাৰ দৰে দেশদ্ৰোহীনে? গোহাঁয়ে তাক লাহেকৈ তেওঁৰ ৰাজ্যত থকা আমাৰ চুবাদাৰ জনৰ হাতত শোধাই দিলে।

ৰতন—পিছে দেউতা আচল টোকে ধৰিব নোৱাৰা শুনিহে ভয় লাগিছে।

দাৰোগা—তাৰো বেচি দিন নাই, আৰু। অলপ আহুকাল হোৱাৰ কাৰণেহে তাক এতিয়া ও ধৰিব পৰা হোৱা নাই। সি বৰ ধূৰ্ত্ত নহয়। সিটো মটক ৰজাৰ ৰাজ্যত তেজী নামৰূপত এখন হাবিৰ মাজত এটা আথৰা পাতিছে। তাত বহুতো মানুহক চলাই ভুলাই নি যুঁজ কৰিবলৈ শিকাইছেগৈ। পিছে সেইখন এতিয়া কোম্পানীৰ ৰাজ্যৰ ভিতৰত নহয় কাৰণে এতিয়া আমি প্ৰথমে তাৰ

বন্ধাক কথাটো জনাব লাগিব। তাৰ পিছতহে তাৰ কিবা এটা ব্যবস্থা কৰিম।

ৰতন—পিছে দেউতা। কথাতে কয় বোলে, শত্ৰুকক সমূলি লাই নিদিবা। তাক বেচি তিখিল ঘিলাবলৈ দিয়া হব সুবিধা নহব।

দাৰোগা—পাৰোঁতেনো তাক ধৰা নাইনে? সি দুমাহ মানৰ আগতে এবাৰ আমাৰ বহুতো খাৰ-বাৰুদ অস্ত্ৰ-শস্ত্ৰ দিখৌৰেদি নাৱেৰে আহোঁতে ডকা দি লই গল। এতিয়া আকৌ আমাৰ ৰংপুৰৰ খাৰ ঘৰবে পৰা কিছুমান খাৰ বাৰুদ তেজী নামৰূপলৈ নিলেহে হব। দুই এদিনৰ পাছতে সেই বোৰ খাৰ ঘৰৰ পৰা নিয়া হব। ইতিমধ্যে মটক বজাৰ পৰা অনুমতি পালেই আমি তাক হেচা মাৰি ধৰিম।

ৰতন—এৰা দেউতা! আমি আক আপনালোকৰ ওপৰতহে ভৰষা কৰিছোঁ।

দাৰোগা—তোমালোকে একো ভয় নকৰিবা। আমি থাকোতে এই উৎপতীয়াইঁতক অশান্তি কৰিবলৈ নিদিওঁ।

[এনেতে লগুৱা এটা সোমাই আহি দাৰোগাক কয়]

লগুৱা—দেউতা! চন্দ্ৰৰী এটাই কিবা চিঠি এখন লৈ আহিছে!

দাৰোগা— বাক, মই গৈছোঁ। ৰবলৈ কগৈ।

ৰতন—এৰা দেউতা! ময়ো বহুত পৰ বহিলোঁ। এতিয়া আক উঠোহে।

দাৰোগা—বাক যোৱা। আহিবা মাজে সময়ে।

ৰতন—দেউতাইনো আকৌ আহিবলৈ কব লাগিছেনে ? বন্দীয়ে দেউতাৰ কথা কেইষাৰি শুনিলে ভোক পিয়াহো পাহৰে'। পিছে দেউতাকহে আমনি দিওঁ।

দাৰোগা—নাই, আমনি এ:কো নহয়। আহিবা মাজে মাজে বা-বাতৰি লৈ যাবাহি।

ৰতন—কব লাগিছেনে দেউতা। বা-বাতৰি লৈ ফুৰো কাৰণেই মানুহে বৰাগী বোলে। (হাঁহে) ভাল দেউতা, সেৱাহে।

দাৰোগা বাক !—মইও উঠো, গা তিয়াওঁগৈ।

[ৰবাগীয়ে কাষলতিৰ তলৰ টোপোলাটো লৈ জয়গুৰু শঙ্কৰ বুলি উঠে]

পট পৰে।

২য় দৃশ্য।

[ৰৰফুকনৰ বাহৰ। আগৰ সেই চৰা ঘৰ। ফুকন লাঠিদালত ভৰদি ঠিয় হৈ আছে। অচৰতে নোমল। ৰৰফুকনৰ মুখত উদ্বিগ্নতাৰ চিন]

পিয়লি—তাৰ পিছত নোমল ?

নোমল—সেইদিনা শদিয়া খোৱা গোহাঁয়ে হুৰনাথক বৰ আদৰ কৰি ৰাখিলে। পেটে সমৰিতে যে তেওঁ এনে ভয়ঙ্কৰ ভাৱলৈ

আছিল, চতুৰ হৰনাথেও বুজিলে, কিন্তু পিছদিনা কুকুৰাই প্ৰথম ডাক নৌ দিওঁতেই গোহাঁঞিৰ ৰাজ্যত থকা কোম্পানীৰ পশ্চিমীয়া কাপ্তান জনে কুৰিজন মান চিপাহী লৈ হৰনাথৰ ঘৰটো বেৰী ধৰিলে, হৰনাথ ধৰা পৰিল। কাপ্তানটোৱে হৰনাথক তেতিয়াই ৰংপুৰলৈ লৈ আহিল।

পিয়লি—এতিয়া হৰনাথক কত ৰাখিছে কব পাৰগে ?

নোমল—সঠিক কৈ একো গম নেপালো। পিছে ঘুমুক ঘানাককৈ শুনিলো বোলে তেওঁক যোৰহাটলৈ আনিলে।

পিয়লি—বাকী কেইজনৰ কি বাতৰি ?

নোমল—তেওঁলোকো নগা পাহাৰ, খামতি আৰু মণিপুৰলৈ গ'ল, কিন্তু এতিয়ালৈকে একো বাতৰি পোৱা নাই।

পিয়লি—(দুঃখৰ হাঁহি মাৰি) হোঃ ! হৰনাথ পোতাশালত, বাকীবোৰৰ বাতৰি নাই ! বাৰু ! তই আথৰাত সোমাই-ছিলি নে ?

নোমল—হয় দেউতা ! বৰ গোহাঞি দেউতাক পাই সকলো বাতৰি দি আহিছো। তেখেতো অহাৰ কথা আছিল।

পিয়লি—বাৰু তই এতিয়া যা। অলপ জিৰনি লগে। কাইলৈ পুৱাতে তই আকৌ যাৰহাটলৈ যাব লাগিব। ৰতনে কি বাতৰি পাইছে জানি আহিবি।

নোমল—ভাল দেউতা, মই পুৱাতে ওলাম, এতিয়া তেনে যাওঁ দেউতা।

পিয়লি—যা।

[নোমল যায়গৈ, পিয়লি ববফুকনে ভাবি ভাবি লাহে লাহে গৈ বব-পিবাত বহেগৈ।]

পিয়লি—দেউতা! মানক আনি নিজব বব ঘব দেখুৱাই যি দেশদ্রোহীতাব বীজ তুমি সিচি থৈ গৈছা, সেই বীহ এতিয়াও বতাহত মিছলি হৈ আছে। বীৰ লাচিতব শিকণি মানুহে সহজেই পাহবি গল, কিন্তু বদন বৰ ফুকণৰ শিকণি হলে আটায়ে মনত বাখিছে। মই আজি তোমাব পাপব প্রায়শ্চিত্ত কৰিবলৈ ওলাইছো, কিন্তু ভগৱান মোৰ প্রতি বিৰূপ, তোমালোকে কৰা দেশদ্রোহীতাৰ কাৰণে গোটেই দেশেই আজি ভগৱানৰ কৃপাৰ পৰা বঞ্চিত হৈছে। (হুমুনিয়াহ কাঢ়ি) কি কৰিম। দুৰ্ভাগ্য।

[বব গোহাঁই সোমাই আছে। মুখত নিৰাশাৰ চিন] ববগোহাঁই! শুনিছা বাতৰি?

ববগোহাঁই—শুনিছো ডাঙৰিয়া! পিছে উপায়?

পিয়লি—উপায় আমাৰ হাতত। কালৈকো বাট নেচাই আমি আমাৰ কাম কৰি যাম।

ববগোহাঁই—কাম কৰি যাব পাৰিম ডাঙৰীয়া! কিন্তু কল কেনে হব তাকহে কব পৰা নাই।

পিয়লি—ববগোঁহাই! আমি বিপ্লবী, আমাৰ চকু আগলৈ।

পিছলৈ চাই কোন আছিছে, কোন অহা নাই তাৰ লেখ লোৱা আমাৰ কাম নহয়। আগলৈ চকু ৰাখি আমি আগ বাঢ়ি যাম। তুমি হতাশ ন হোৱা বৰগোহাঁই, আমাৰ কাম আমি কৰি যাম।

বৰগোহাঁই—নিজৰ কাম কৰিবলৈ মই পিছ নপৰো, বৰফুকন ডাঙৰীয়া! ফলফল যিয়েই নহওঁক; তথাপি, তথাপি আমাৰ কামে কোম্পানীক বুজাব যে অসমীয়াৰ এতিয়াও তেজ আছে, হৰনাথ দাৰোগাহঁতে নিজকে ফিৰিঙিৰ ওচৰত বেচিব পাৰে। কিন্তু সেই বুলি সকলোবোৰ অসমীয়া তেনে হোৱা নাই।

পিয়লি—সক কৈছা, বৰগোহাঁই। অসমীয়া জাতি এতিয়াও মৰা নাই। এটাৰ পিছত এটাকৈ অসমীয়াই নিজৰ দেহ উচুৰ্গা কৰি দেশৰ মুক্তিৰ কাৰণে যুঁজ দিব। আজি যি সকলে আমাৰ যুঁজৰ বিপক্ষে থিয় দিছে, কাইলৈ হয়তো তেওঁলোকেই আহি ফিৰিঙিৰ অত্যাচাৰৰ পৰা দেশক সকৱাবলৈ সিহঁতৰ লগত যুঁজ দিব। এটুকুৰা চুম্বকে শই শই লোৰ কণিকাই নিজৰ ফালে টানি অনাৰ দৰে, এজন বিপ্লবীৰ বুকুৰ এটোপা তেজেই শই শই যুবকক দেশৰ কাৰণে প্ৰাণ বলি দিবলৈ মাতি আনে—আজি আমাৰ চেষ্টা হয়তো বিফলে যাব পাৰে, কিন্তু বৰগোহাঁই! আমি যি বিষ কোম্পানীৰ ৰাজ্যত সিচি থৈ যাম, সি এদিন সিহঁতক

ধ্বংস কৰিবই। দেশৰ বিভীষণবোৰেও তেতিয়া ৰক্ষা কৰিব নোৱাৰিব।

ৰবগোহাঁই—সেই দিন যেন অতি সোনকালে আহে, তাকে ভগবানৰ ওচৰত প্ৰাৰ্থনা কৰো ডাঙৰীয়া।

[এনেতে ৰতনৰ মাত বাহিৰত শুনা যায়]

ৰতন— (নেপথ্যত) ৰবফুকন ডাঙৰীয়া।

পিয়লি—ৰতন নহয়নে সেইয়া! সোমাই আহা ৰতন, (ৰতন আহে) মই অলপ পৰৰ আগতেই তোমাৰ কথা ভাবিছিলো নোমলক তোমাৰ খবৰ লবলৈ পাঠিয়াবই খুজিছিলো। পিছে বাতৰি কি ?

ৰতন—হৰনাথৰ বাতৰি বোধ হয় পাইছেই ডাঙৰীয়া।

পিয়লি—পাইছো ৰতন! হৰনাথ দাৰোগাৰ বাতৰি কি ?

ৰতন—সেই যে দুটা অচিন মানুহ আখৰাৰ ওচৰত দেখা গৈছিল, সিহঁত দাৰোগাৰ চোৰাং চোৱা। পিছে আমাৰ কপাল ভাল, সিহঁতে বোধ হয় আখৰাৰ ভিতৰখন চাব নোৱাৰিলে। কিন্তু এই আখৰাৰ কথা হলে দাৰোগাই জানিলে।

ৰবগোহাঁই—এতিয়া পিছে ফিৰিঙ্গিহঁতে কি কৰিব খুজিছে, কিবা গম পালানে ?

ৰতন—হয়। আমাৰ আখৰা মটক ৰজাৰ ৰাজ্যত থকা কাৰণে প্ৰথমে কোম্পানীয়ে ৰজাক কথাটো ভেটিছে। ৰজাৰ

ওচৰলৈ দুই এদিনতে মানুহ যোৱাৰ কথা আছিল। মোৰ বোধেৰে এতিয়া মানে গৈছেই ছাগি।

পিয়লি—তেন্তে দুদিন মানতেই কোম্পানীয়ে আমাক আক্ৰমণ কৰিব।

ৰতন—নহয়, আৰু অলপ কথা আছে। কোম্পানীৰ অস্ত্ৰ আৰু খাৰ-বাৰুদবোৰ এতিয়াও ৰংপুৰৰ খাৰ ঘৰতে আছে। বাকী যি চিপাহী চন্তৰী আন ঠাইত আছে, সিহঁতৰ হাতত হিলৈ, বন্দুক বা খাৰ বাৰুদ বৰ বেচিকৈ। গতিকে প্ৰথমতে সিহঁতে খাৰ ঘৰৰ পৰা সেইবোৰ নিয়াব। খাৰ ঘৰলৈ আজি কালিতে বহুতো সৈন্য আহিব।

ৰৰগোহাঁই—এতিয়া খাৰ ঘৰত চন্তৰী কিমান আছে কিবা গম পোৱানে ?

ৰতন—এতিয়া তাত আঢ়ৈ কুৰি মানহে আছে।

ৰৰগোহাই—ডাঙৰীয়া!.........

পিয়লি—বুজিছোঁ, ৰৰগোহাঁই। নতুনকৈ চিপাহী আহি পোৱাৰ আগতেই আমি খাৰ ঘৰত জুই দিব লাগিব। বাৰু, আমাৰ মানুহবোৰ সাজু আছেনে ?

ৰৰগোহাঁই—যুঁজ কৰিবলৈ সিহঁত সদায় সাজু, ডাঙৰীয়া!

পিয়লি—সুন্দৰ কথা। তেনে আমি আজি ৰাতিয়েই খাৰ ঘৰ আক্ৰমণ কৰিম।

ৰতন—আজি ৰাতিয়েই ?

পিয়লি—হয় ৰতন, আজি ৰাতিয়েই। সিহঁতক অলপো সময় দিব নোৱাৰি। বৰগোহাঁই! তুমি আখৰালৈ গৈ সকলোকে সাজু কৰাগৈ।

বৰগোহাঁই—কিন্তু ডাঙৰীয়া। মোৰ মনেৰে হলে সকলোকে নিয়াৰ কোন আৱশ্যক নাই। তাত এতিয়া আঢ়ৈ কুৰি মান মানুহহে আছে। আমি যদি খাৰ ঘৰটোত জুই দিব পাৰোঁ। তেন্তে সিহঁত তাতেই জাহ যাব।

ৰতন—হয়, ডাঙৰীয়া! বৰগোহাঁইৰ কথাতে ময়ো হয় দিব খোজোঁ।

পিয়লি—ওঁ। কথাটো ভালেই হব। তেন্তে বচা বচা দহজন মান কাঁড়ী আৰু বন্দুক চলাব জনা মানুহ বিচাৰি দিয়া। বাকী মানুহবোৰক লৈ বৰগোহাঁই নগা পাহাৰৰ ফাললৈ আজি ৰাতিয়েই আঁতৰি যোৱা।

বৰগোহাঁই—খাৰ ঘৰলৈ আপুনি যাব খোজে নেকি, ডাঙৰীয়া?

পিয়লি—এৰা মইহে তালৈ যাম।

বৰগোহাঁই—সেইটো কেনেকৈ হব, ডাঙৰীয়া? মই থাকোতে আপুনি বিপদৰ মাজলৈ যাব কিয়? তদুপৰি—

পিয়লি—অ! মোৰ খোৰা ভৰিটোৰ কাৰণে পলাবলৈ অসুবিধা হব বুলি ভয় কৰিছা? সেই ভয় নকৰিবা, বৰগোহাঁই! মই নপলাওঁ। খাৰ ঘৰত মই জুই দিমেই। আৰু তাৰ লগে লগেই মোৰো কাম শেষ হব।

ৰৰগোহাঁই—(মিনতিৰ সুৰেৰে) নহয় ডাঙৰীয়া। এনে আত্ম-ঘাতী কাম কৰিবলৈ আপোনাক দিব নোৱাৰোঁ।

পিয়লি—(কৃত্রিম কঠোৰভাৱে) ৰৰগোহাঁই!

ৰৰগোহাঁই—(মিনতিৰে) ডাঙৰীয়া।

পিয়লি—এই আখৰাৰ ভাৰ লোৱাৰ সময়ত তুমি তোমাৰ দেশৰ নামে শপথ খাইছিলা—

ৰৰগোহাঁই—আপোনাৰ আদেশ বিনা প্রতিবাদে পালন কৰিম বুলি—কিন্তু ডাঙৰীয়া এবাৰ ভাবি চাওক। আপোনাৰ অবিহনে আমাক চালনা কৰিব কোনে ?

পিয়লি—সেই ভয় অমূলক ৰৰগোহাঁই। পিয়লি ৰৰফুকন জানো চিৰদিন জীয়াই থাকিব ? তেতিয়ানো এই বিপ্লব পৰিচালনা কৰিব কোনে ?

ৰৰগোহাঁই—কিন্তু ডাঙৰীয়া!

পিয়লি—(গৰমেৰে) তোমাৰ কথা মই বুঝিছোঁ, ৰৰগোহাঁই। কিন্তু তুমি তালৈ গলে ভাল নহব—এটা বৰ ডাঙৰ ভুল হব। মনত ৰাখিবা, কোম্পানীৰ মোৰ ওপৰত চকু পৰিছে। মই যতেই থাকো তাৰে পৰাই উলিয়াই আনিবলৈ সিহঁতে যত্ন কৰিব। কিন্তু তোমাৰ কথা এতিয়া জনা নাই।

ৰতন—ৰৰগোহাঁই! বৰ ফুকনৰ কথাই মনত বেজাৰ দিলেও ময়ো হলে সেইটোহে ভাল বুলিছোঁ! যুঁজৰ সময়ত মৰম চেনেহৰ ঠাই নাই, ৰৰগোহাঁই! বৰ দুঃখ লগা

হলেও নিজৰ অতি আপোনাৰ জনকো বহুতো সময়ত বলি দিব লাগে। এয়েই যুঁজৰ নিয়ম।

পিয়লি—উচিত কথা কৈছা ৰতন! এদিন গমধৰ কোৱঁৰৰ পৰাজয়ৰ সময়ত তুমি মোৰ হতাশ হোৱা মনক উদগণি দিছিলা। আজি মোৰ দিনো বোধ হয় শেষ হৈছে। এতিয়া পিয়ালি বৰগোহাঁইকো তুমি সেইদৰেই তোমাৰ কথাৰে উদগণি দিয়া বৰাগীৰ বেশত ৰতন, আৰু যুজাকৰ বেশত পিয়ালি বৰগোঁহাই কোম্পানী আৰু কোম্পানীৰ ভৰি চেলেকা আমোলাহঁতৰ ধ্বংস এদিন হবই।—বৰগোহাঁই, তুমি বেজাৰ নেপাবা! আজি যদি মই খাৰ ঘৰত জুই দিবলৈ যাওঁ তেন্তে সিহঁতে ভাবিব যে মোৰ লগত আৰু কোনো নাছিল। সহকাৰী নাই কাৰণেই মই এই খোৰা ভৰিৰেই তালৈ গৈছোঁ। আৰু তাৰ ফলত তুমি কিছু দিনলৈ হলেও সিহঁতৰ চকুৰ আঁতৰত থাকিব পাৰিবা। তাৰ পিছত ভগা বৰগোহাঁই ডেকাফুকন ছুৰলীয়া বৰুৱা আৰু ধৰ্ম্মধৰ মন্ত্ৰীৰ পৰা কিবা বাতৰি পালেই তুমি সুযোগ বুঝি সিহঁতক আক্ৰমণ কৰিবা। আৰু—আৰু যদি আনৰ পৰা কোনো সহায় নোপোৱা, তেন্তে বহি নাথাকিবা। নিজৰ শক্তিৰেই তুমি সিহঁতক যি পাৰা কৰিবা।

বৰগোহাঁই—ডাঙৰীয়াৰ যদি এয়ে আদেশ, তেন্তে তাকেই মই মানি ললোঁ। কিন্তু ডাঙৰীয়া! এটা কথা সদায়

মনত থাকিব—মই জীয়াই থাকোতেই আপুনি এনে কামৰ কাৰণে যাব লগা হল।

পিয়লি—সেই বিষয়ে নাভাবিবা, বৰগোহাঁই! তুমি যোৱা।

[বৰগোহাঁয়ে একো নকৈ লাহে লাহে ওলাই যায়। বৰফুকনে অলপ পৰ সেই পিনে চাই থাকি লাহে লাহে কয়]

পিয়লি—ৰতন!

ৰতন—ডাঙৰীয়া!

পিয়লি—তুমিও যোৱা। আমি যাত্রা কৰাৰ আগতেই তুমি যোৰহাট নগৰলৈ খোজ লৱা যাতে তোমাৰ ওপৰত কাচিৎও সন্দেহ নহয়। তুমি বাইজৰ মাজলৈ যোৱা। তোমাৰ কথা আৰু তোমাৰ গীতেৰে তুমি সিহঁতক সজাক কৰি তোলাগৈ। বীৰ লাচিতৰ দেশৰ মূলা লাচিতক পুণৰ যুজলৈ নিমন্ত্রণ জনোৱাগৈ। তুমি যোৱা।

[ভক্তিৰে প্রণাম কৰি ৰতন যায়গৈ। পিয়লি বৰফুকনে সেই পিনে একে থৰে চাই থাকি যেন নিজকেই কৈ উঠে]

অতিকৈ আপোনাৰ জনৰ ওচৰত বিদায় লোৱা শেষ হল। এইবাৰ বিদায় লব লাগিব এই অতি দুখিনী দেশখনৰ পৰা (বৈ) জীৱনলৈ মোৰ মমতা নাই, আই। কিন্তু বেজাৰ লাগিছে তোমাক এৰি থৈ যাব লগা হোৱাত! এই সুন্দৰ দেশখনি—কেনে হিয়া জুৰ কৰা ইয়াৰ ৰূপ—কিমান চেনেহৰ মোৰ এই সৰল অসমীয়া মানুহ-

বোৰ! সেই সকলোকে মই আজি হয়তো এৰি থৈ যাব লাগিব, চিৰকালৰ কাৰণেই এৰি থৈ যাব লাগিব। আই মোৰ! তোমাৰ ওচৰত অনেক অপৰাধ কৰিছোঁ। পিতাদেৱে মান আনি তোমাক জুকলা কৰিলে। মই অকামিলাই তোমাক পূজা কৰিবলৈ ওলালোঁ,—কিন্তু পূজাৰ সম্বল মোৰ গোট নাথাকে। আৰম্ভনিতেই সি শেষ হল। কি কৰিম। ভগবানে জন্ম দিলে বুদ্ধিহীন কৰি, শক্তিহীন কৰি। কিন্তু শক্তি না থাকিলেও, বুদ্ধি না থাকিলেও তোমাক সেৱা কৰিবৰ ইচ্ছা মোৰ আছে। তুমি মোক অভিশাপ নিদিবা আই! ঘৃণাৰ চকুৰে নাচাবা আকৌ যেন তোমাৰ বুকুতেই মোক স্থান দিয়া। অকামিলা বুলি যেন ঘিণ নকৰা আই!

[পিয়লিৰ চকুত উজ্জলতা তেওঁ যেন ভাবতে নিজকে হেকৰাই পেলাইছে।

[লাহে লাহে পট পৰে।]

৩য় দৃশ্য

[ৰংপুৰৰ থাব থবৰ ওচৰৰ হাবি! থাব ঘৰ দেখা নাযায়। মাত্র এটা যন্ত্র সঙ্গীতৰ ক্ষীণ সুৰ কানত পৰেহি। ঘন অন্ধকাৰ, মাত্র থাব ঘৰৰ চাকিৰ এটা ক্ষীণ পোহৰে বুজায় যে সেইফালেই ঘৰটো আছে। দুই এটা নিশাচৰ চৰাইৰ মাতে গহীন বাতিক আৰু গহীন কৰি তোলে। তাৰ বাহিৰে সকলো নিস্তব্ধ।

[অলপ পাছতে দেখা যায় খাৰ ঘৰৰ বিপৰীত ফালৰ পৰা দুটা মানুহ মঞ্চত সোমাই লাহে লাহে আগ বাঢ়ি খাৰ ঘৰৰ ফালে সোমায় কিন্তু অলপ পাছতেই পলাই অহাৰ দৰে আহি অহা ফালে লুকাইছি। তাৰ লগে লগে বিপৰীত ফালৰ পৰা দুটা চন্তৰী সোমাই আহে। সিহঁতৰ গতিবিধি দেখি বুজা যায় যে সিহঁতে সেই ঠাইত শত্ৰুৰ উপস্থিতিৰ কথা গম পোৱা নাই। ইফালে সিফালে চাই সিহঁত উভটিব খোজে এনেতে আগতে লুকাই থকা মানুহ কেইটাই হঠাৎ ওলাই আহি সিহঁতক ধৰি মুখত সোপ দি ভিতৰলৈ ধৰি লৈ যায়।

লগে লগে অন্য দুটা মানুহ মঞ্চত সোমাইছি। এটা নোমল আৰু আনটো কলিয়া। হাতত ধনুকাড় আৰু টিঙিৰি তুলা আদি জুই জলোৱা সৰঞ্জাম। কাৰবোৰৰ আগত টোপোলাৰ দৰে কিবা একোটা। দুয়োটা খাৰ ঘৰৰ ফালে সোমাই গৈ অলপ পাছতে উভটি আহি মঞ্চৰ ইকাষলৈ আহে]

কলিয়া—সেয়া কোম্পানীৰ খাৰ ঘৰত গাচ গান হৈছে। আমাৰ কাড়ে ইয়াৰ পৰা ঢুকি পাব গৈ। [নোমলে তাক ইঙ্গিতেৰে মনে মনে থাকিবলৈ কৈ অহাৰ ফাললৈ চাই চৰাইৰ মাতৰ দৰে শব্দ কৰে। লগে লগে বন্দুক হাতত লৈ দুটা মানুহ সোমাই আহে। নোমলে সিহঁতক খাৰ ঘৰৰ ফালে আঙুলিয়াই দেখুৱায়। সিহঁত সেইফালে আগবাঢ়ি গৈ চাই উভটি আহে। এনেতে এখন দোলা দুটা মানুহে ভাৰ বৈ আনি থয়হি। নোমলে দোলাৰ পৰা পিয়লিক নমাই আনে আৰু লাখুটিত ভৰ দি ঠিয় হয়। নোমলে সকলৈকে কয়]

নোমল—খাৰ ঘৰত গাচ গান হৈছে। চন্তৰী দুয়োটাকে আতৰোৱা হল।

পিয়লি—ভালেই হৈছে। তহঁত সাজু নহয় ?

কলিয়া—হয় দেউতা।

পিয়লি—আমি আজি জীৱন পণ কৰি ইয়ালৈ আহিছোঁ। এই খাৰ ঘৰত জুই দিব পাৰিলে এবলৈ কোম্পানীৰ কঁকাল পৰিব। চাবিহঁত, কাম নিসিজাকৈ যাতে কোনো পিছ হুহঁকি নাহে।

এটা মানুহ—দেউতাই সেইবাবে চিন্তা নকৰিব।

পিয়লি—সুন্দৰ কথা। নোমল, তই আগত যা। প্ৰথমতে কাড়েৰে জুই মাৰিবি। চাবি যাতে ঠিক ঠাইত পৰে। তাৰ পিছত তহঁতে [বন্দুক লোৱা মানুহ দুটাক] মানুহ বাহিৰলৈ ওলাসেই বন্দুক চলাবি। আৰু খাৰ ঘৰত জুই লগা যেন দেখিলেই তত্তাতৈয়াকৈ আঁতৰি পৰিবি। আগ বাঢ়। [প্ৰথমে ধেনু কাড় লৈ থকা মানুহ দুটাই গাব আঁৰ কৰি টিঙিৰি মাৰি কাড়ৰ আগত থকা টোপোলা জ্বলাই আৰু একাষৰ পৰা খাৰ ঘৰৰ ফালৈ কাড় মাৰে। আগত জুই জ্বলি থকা কাড়বোৰ যোৱা দৰ্শকে দেখে কেইবা দালো কাড় মাৰাৰ পাছত সিহঁত অলপ ৰয়।

অলপ পাছতে ভিতৰত অলপ কোঢ়ল হয় আৰু লগে লগে এটা ভাঙৰ শব্দ হৈ ভিতৰত গোহৰ হৈ পৰে। মানুহ দুটা উঠি আহি

ববফুকনব ওচব পায় হি। ভিতবত মাজে মাজে বিস্ফোৰণৰ শব্দ হৈ থাকে আৰু মানুহৰ কোঢাল লাহে লাহে বেচি হৈ আহে]

নোমল—খাৰত জুই লাগিল [বন্দুক লোৱা মানুহ দুটা আগবাঢ়ি গৈ বন্দুক টোৱাই ৰৈ থাকে। কোঢ়াল লাহে লাহে ওচৰ চাপি আহে। মানুহ দুটাই বন্দুক নামাৰি উঠি আহি ববফুকনব ওচব পায়হি। তেতিয়াও মাজে মাজে বিস্ফোৰণৰ শব্দ হৈ থাকে]

এটা মানুহ—দেউতা, খাৰ ঘৰৰ পৰা বহুতো মানুহ ওলাইছে। বোধ হয় নতুন মানুহ আহি পালেহি। শ মানত কৈয়ো বেচি।

পিয়লি—তেন্তে খাৰ বাৰুদ নিবলৈ অহা চন্তৰী খাৰ ঘৰ পালেহি। নোমল তইঁত পলা। [দোলা লোৱা কেইটাৰ বাহিৰে বাকী বোৰ পলায়। সিইঁত দুটাই পিয়লি দোলাত উঠাত দোলাখন কান্দত তুলিব খোজে। এনেতে ভিতৰত বন্দুকৰ শব্দ হয় আৰু দোলা ভাৰি এটা বহি পৰে। ইটো মানুহে অলপ সময় নষ্ট নকৰি পিয়লিক দোলাৰ পৰা নমাই আনি পিঠিত তুলি লৈ যাব খোজে, এনেতে আকৌ বন্দুকৰ শব্দ হয় আৰু মানুহটোৱে পিয়লিক লাহেকৈ নমাই দি বহি পৰে]

মানুহটো—উস্। দেউতা। নোৱাৰিলো—প-লা-ও-ক (মৃত্যু) [পিয়লিৰে দোলাৰ পৰা লাখুটীদালে উলিয়াই লৈ তাত ভৰ দি থিয়

হওঁতেই কেইবাটাও চন্তৰী কোঢ়াল কৰি সোমাই আছে আৰু পিয়লিক বেঢ়ি ধৰে।

[লগে লগে পট পৰে]

৪ৰ্থ দৃশ্য

[হৰনাথ পৰ্ব্বতীয়া বৰুৱাৰ চোতাল। বাপুকণে যতৰ এটাত বৰ মনযোগেৰে মহুৰা ফুৰাইছে। মাজে মাজে ছিঙি গৈছে আৰু মহুৰাটোও শলাৰ পৰা মাজে মাজে ওলাই যায়। এনেতে 'বাপুকণ' বুলি মাতি বৰুৱাণী সোমায় আহে। বাপুকণে ধৰাপৰি মুৰ খজুৱাই ঠিয় দিয়ে]

বৰুৱাণী—তোৰ পৰা মই আৰু তত নোপোৱা হলোঁ, বাপুকণ! যতৰটো থৈ যাবলৈহে পালোঁ, তই আহি লাগিলিহি। চাওঁ গুচ! [উঘাৰ সূতা নেচা চায়] ইস্! গোটেইখন ছিঙি পেলালে।

বাপুকণ—ক'তা মই ছিঙিছোঁ। সেইবোৰ তুমি ছিঙি থৈ গৈছা।

বৰুৱাণী—হয়নে? মই সকবে পৰা সূতা ইহাত-সিহাত কৰি বুঢ়ী হলোঁহি, এতিয়া মইহে সূতা ছিঙিলোঁ?

বাপুকণ—তুমি জানো সকবে পৰা সূতা কৈছিলো?

বৰুৱাণী—ওঁভো! সকবে পৰা লৈছোঁ!

বাপুকণ—তুমি হ'লে সকৰে পৰা নৈছা ; মই পিছে মহুৰাটো ফুৰালতে বেয়া পাইছা কেলেই ! মইনো শিকিম কেনেকৈ ?

বকুৱাণী—(হাঁহি) বাৰু তই নিশিকিলেও হব। মতা লৰাই এই বোৰ কাম কৰিব নালাগে। তই দেউতাৰৰ নিচিনা হবি। [মহুৰা ফুৰাবলৈ ধৰে]

বাপুকণ—মই দেউতাৰ দৰে নহওঁ। দেউতাই একো কাম নকৰে আৰু সেই ফিৰিঙি বোৰৰ লগত দেউতা ইমান বন্ধু ! মই হলে সিহঁতক অকণো ভাল নেপাওঁ।

বকুৱাণী—কেলৈ ? তোক দেখোন সিহঁতে বৰ মৰম কৰে ?

বাপুকণ—মৰম কৰিলেও মই সিহঁতক ভাল নেপাওঁ। বাৰু, আইতা ! এই ফিৰিঙিবোৰ ইমান বগা কেলেই ? আমি দেখোন ইমান বগা নহওঁ ?

বকুৱাণী—সিহঁত আন এখন দেশৰ মানুহ। সাত সাগৰ তেৰ নদীৰ সিপাৰে সিহঁতৰ দেশখন আছে।

বাপুকণ—তেনেহলে সিহঁত আমাৰ ইয়াত আছেহি কেলেই ? সিহঁতৰ দেশত থাকিবলৈ ঠাই নাই নেকি ?

বকুৱাণী—সিহঁতেই আমাৰ দেশখনৰ গৰাকী। আমি সিহঁতৰ তলতীয়া।

বাপুকণ—কেলেই ! দেউতাহঁত দেখোন ডাঙৰ মানুহ ! সিহঁতক খেদাই নিদিয়ে কেলেই ?

বকুৱাণী—দেউতাৰে সিহঁতক খেদাব কিয় ? দেউতাৰ সিহঁতৰ

বন্ধু! তেখেত সিহঁতৰ তলতীয়া নহয়। আনবোৰহে সিহঁতৰ তলত।

বাপুকণ—আমাৰ মানুহ সকলোবোৰ সিহঁতৰ তলত যেতিয়া দেউতা অকলে সিহঁতৰ বন্ধু হৈ থাকিলে কিটো হব? মই ডাঙৰ হ'লে কিন্তু সিহঁতক খেদাই দিম।

বকৰাণী—(হাঁহি) পাৰিবি জানো?

বাপুকণ—কেলেই, সিদিনা দেখোন মই চিকাৰীয়ে ধৰি অনা বাঘটো দেখি ভয় কৰোতে তুমি কৈছিলা 'আমাৰ মানুহ-বোৰ বৰ সাহিয়াল আছিল'। লাচিত বৰফুকনে যদি মছলমান ৰজাক খেদি দিব পাৰে, মইনো ফিৰিঙিবোৰক খেদি দিব নোৱাৰিম কেলেই?

বকৰাণী—ফিৰিঙিবোৰ মছলমানতকৈ বহুতো বলী, বোপাই।

বাপুকণ—ময়ো লাচিততকৈ বেচি বলী হম। তুমিহে মোক সৰু লৰা, সৰু লৰা বুলি কৈ থাকা, সিহঁতৰ ঘৰৰ মইনা-হঁতে কোনেও মোক বলে নোৱাৰে। বাঘ দেখিলেও মোৰ আজিকালি ভয় নকৰে।

[এনেতে দাৰোগা সোমাই আহে শুদা গাৰে। গাত গামোছা পেলাই থৈছে]

দাৰোগা—হেৰা, তুমি হবপায় এই বান্দৰটোৰ লগত চুপতি মাৰিছাহি। মোৰ বিচাৰ চৰালৈ সময় হৈছে লাগে। আজি পিয়লিৰ বিচাৰ নহয়?

বকুৰাণী—এইয়া যাওঁ! আপুনি ওলাওক মই ভাত বাঢ়ো! এই বাপুকণ! তই আকৌ যতৰত নেলাগিবি দেই।

বাপুকণ—নোচোওঁ যোৱা, তোমাৰ যতৰ! মই যুদ্ধহে কৰিম।

দাৰোগা—কাৰ লগত যুদ্ধ কৰিবি অ’। মাকৰ লগত নেকি? (হাঁহে)

বাপুকণ—মাৰ লগত কেলেই কৰিম! মই ফিৰিঙিৰ লগত যুদ্ধ কৰিম। সিহঁতক আমাৰ ইয়াৰ পৰা খেদাই দিম।

[হৰনাথ দাৰোগাৰ মুখৰ ভাব কঠিন হয়]

দাৰোগা—বাপুকণৰ মাক! [বকুৰাণী যাব খুজিছিল, মাত শুনি থমকি ৰয়। মুখত ভয়ৰ চিন। বাপুকণও অলপ ভয় খায়] এইবোৰ শিক্ষা লৰাক কোনে দিছে?

বকুৰাণী—যানো বালক! মই হলে একো কোৱা নাই।

দাৰোগা—বুজিছোঁ! ই দুষ্ট লৰাবোৰৰ লগত পৰি এইবোৰ কথা শিকিছে। বাপুকণ!

বাপুকণ—দেউতা!

দাৰোগা—তই আজিৰ পৰা কাৰো লগত ধেমালি কৰিবলৈ নাযাবি। সেইবোৰ বেয়া লৰা। ঘৰতেই থাকিবি আৰু কেতিয়াবা ফুৰিবলৈ মন গলে দেছোৱালী চন্দ্ৰীটোৰ লগত ফুৰিবলৈ যাবি। আগলৈ সেইবোৰ লৰাৰ লগ ললে মই মুখেৰে নেকোঁ।

বাপুকণ—কেলেই, আপুনি দেখোন কৈছিল মইনাহঁত বৰ ভাল লৰা বুলি।

দাৰোগা—কৈছিলো হয়, পিছে এতিয়া সিহঁত বেয়া হল। তই এতিয়া যা। ইংৰাজী আখৰবোৰ মনত আহিছেনে নাই ?

বাপুকণ—বৰ বেয়া সেইবোৰ।

দাৰোগা—বেয়া হবতো। ভাল কথা নহয়! যা এতিয়া পঢ়গৈ। [বাপুকণ সোমাই যায়] [বকুৱাণীক] তুমি দেখিছো লৰাৰ ওপৰত অকণো চকু নিদিয়া। সি মোৰ লৰা হৈ এইবোৰ ৰজাৰ দ্ৰোহ আচ ৰা কথা কবলৈ শিকিছে।

বকুৱাণী—মইনো বাক কি কৰিম ? মই কাম বন এৰি তাৰ পিছে পিছে ঘুৰি ফুৰিব লাগেনে ?

দাৰোগা—কাম-বন এৰি ঘুৰি ফুৰিবলৈ মই জানো কৈছো ? অলপ চকু দিবা। আজি সেইয়া পিয়লি বোলাটোৱে পাব নহয় সেকাটো।

বকুৱাণী—লৰাই ছাগৈ সেই পিয়লিৰ কথাকে শুনিছে এনে কথা কৈছে।

দাৰোগা—পিয়লিৰ কথা সি সৰু লৰাই জানিব কেনেকৈ ?

বকুৱাণী—আপুনিহে পিয়লিৰ কথা নকয়। গেটেই দেশখনৰ মানুহে পিয়লিক দেৱতা হেন ভাবে। মনে মনে সকলোৱে তেওঁৰ কথা কোৱা মেলা কৰে। ভয়তহে মুখ ফালি নকয় ?

দাৰোগা—সকলোৱে কয়নে ?—কোনে কোনো কয় বাক ?

বৰুৱাণী—মই কেনেকৈ কওঁ। মোৰ আগত কয়নে কিবা ? মই কথা কওঁ বুলি গলেও আটাইবোৰ বোবা হয়। যানিবা মানুহ গৰুহে মাৰি আহিছোঁ। কোনোবাই কিবা কথা পাতি বহি থাকিলেই মোক দেখুৱাই কামৰ অজুহাত দেখুৱাই গুচি যায়।

দাৰোগা—বুজিছা, সিহঁতে আমাক দেখি হিংসা কৰে।

বৰুৱাণী—হিংসা কৰাহেতেন ভালেই আছিল ; পিছে আমাক ঘিণ কৰে যেনহে পাওঁ।

দাৰোগা—বাক কৰক ঘিণ, সেই জন্তুবোৰে ভালপালে আমি সোণৰ সোলেংটো নাপাওঁ ! যোৱা ভাত বাঢ়াগৈ। [বৰুৱাণী যায়] পিয়লিয়ে দেখিছো তলে তলে ভালকৈ শিপাইছে। মোৰ সৰু লৰাটোৱেও আজি তাৰ সেই কুশিক্ষা লবলৈ গৈছে। ইমান চেষ্টা কৰিছো তথাপি এই অশলাগীবোৰে কোনো গুণ নাগায় ! কেৱল সেই উৎপতীয়াইঁতৰ কথা ! নহয় ভালেৰে ইহঁতক সেও কৰিব নোৱাৰি। ইহঁত যেনে ধূৰ্ত্ত, দণ্ডও তেনে কঠোৰ হব লাগিব। বাক, আমিও চাম। পিয়লি জিকেনে কোন জিকে। (এনেতে বৰুৱাণীয়ে ওলাই আহে)

বৰুৱানী—ভাত দিলোঁ, আহক।

[বৰুৱানী আৰু দাৰোগা যায়]

পট পৰে।

সাময়িক দৃশ্য

[বিচাৰ চৰা। বিচাৰক তুজন, বৰগোহাঁই আৰু বৰবৰুৱা বৰপিৰাত বহি আছে। আগত কাপ মৈলাম আৰু কাগজপত্ৰ। সোঁফালে হৰনাথ দাৰোগা বহিছে। বন্দী পিয়লি বৰফুকনক তেতিয়াও অনা হোৱা নাই। বাওঁফালে পাৰি থোৱা আছে]

বৰবৰুৱা—ই বোলে দেশ তাৰিবলৈ ওলাইছে।

বৰগোহাঁই—এৰা, বাপেকে মান আনি উছন নিয়ালে, পুতেকে আকৌ দেশৰ কথা কৈ বৰাই কৰে।

দাৰোগা—বাপেকৰ কথা এৰাইছোন! কেলেই পুতেকে জানো কামৰূপীয়া প্ৰজাৰ ওচৰত বলিয়া হাতী মেলি দি বং চোৱা নাছিল ?

বৰবৰুৱা—(ঠাট্টা কৰি) পাপৰ পৰাচিত কৰিব খুজিছে হব পায়। [আটায়ে হাঁয়ে]

বৰগোহাঁই—এৰা ; ইয়াৰ কথা শুনি তবধ মানিছোঁ, বুজিছানে ?

দাৰোগা—আচল কথাৰ গুৰি ক'ৰবাত বৰগোহাঁই। আগেয়ে স্বৰ্গদেও থাকোতে সিহঁতে বৰফুকনৰ ঘৰ বুলি ফিতাহি

মাৰি ফুৰিব পাৰিছিল। এতিয়া সেই কেৰা নোপোৱা হ'লত মনতে বৰ বিষম পাইছে।

বৰবৰুৱা—আচল কথা আপুনিহে বুজিলে, দাৰোগা! সেয়ে কথা। কোম্পানীৰ এই যোগ্য জনকহে ভোগ কৰিবলৈ দিয়া কথা তেওঁৰ অসহনীয় হৈছে। ফিৰিঙি সকলক খেদাব পাৰিলে, ৰজা-ঘৰীয়া ভেমটো বজাব পাৰিব!

[এনেতে মণিৰাম দত্ত বৰ ভাণ্ডাৰ বৰুৱা আহে। আটায়ে সম্মান দেখুৱায়]

বৰবৰুৱা—আহক, আহক, বৰভাণ্ডাৰ বৰুৱা। [মণিৰাম বহে]

মণিৰাম—পিছে চাহাবে দেখোন মোক হঠাতে বিচাৰ চৰালৈ মাতি পঠিয়ালে? বিচাৰ চাহাবেই নকৰিব জানো?

দাৰোগা—বিচাৰনো আৰু কিটো কৰিব মণিৰাম। আজি বহুত দিনৰ পৰা সিটোৱে তলে তলে ৰাজদ্ৰোহ আচৰাৰ ভুৰি ভুৰি প্ৰমাণ আছে। গমধৰ কোঁৱৰৰ লগটো যোগ থকাৰ ভু পোৱা গৈছে।

মণিৰাম—কিন্তু সেই বুলি নামত হলেও সোধ কৰিব লাগিব নহয়।

দাৰোগা—সেইটো হয়। পিছে চাহাবে বোলে তেওঁনো আৰু কি সোধ কৰিব। আমাৰ সকলকে যি হয় কৰিবলৈ কৈছে। ততুপৰি পিয়লি আমাৰ দেশৰে মানুহ আৰু আমাৰ বিৰুদ্ধেই দ্ৰোহ আচৰিছে, গতিকে আমাৰ দস্তৰ মতেই শাস্তি বিহাই ভাল হব।

মণিৰাম—বিচাৰ ফেৰা দেখোন আপোনালোকেই কৰিব পাৰিলেহেঁতেন। মোকো আকৌ মতাই অনালে কিয় ?

বৰবৰুৱা—এঃ ! আপুনি না থাকিলে হব কেনেকৈ ? [এনেতে এটা চম্ভৰীয়ে জৰি লগাই পিয়লিক লৈ আহে]

অ ! এইয়া আমাৰ বৰফুকন ডাঙৰীয়া ! বোলো বৰ-ফুকন কিনো তেজ চৰিছিল, হেঁা !

পিয়লি—কিনো তেজ চৰিছিল কলে লাভ নহব, বৰবৰুৱা ! সিমান কথা বুজিবৰ শক্তি তোমালোকৰ নাই।

দাৰোগা—ফুকনে বঢ়া বচন বুলিছা।

পিয়লি—মাতৰ তিতা সচা হলে তাক মানুহে বঢ়া বচন বোলা আচৰিত নহয়।

মণিৰাম—বৰফুকনে দেখিছেঁা সাতঘৰীয়া আহোমৰ ভেমটো এৰা নাই।

পিয়লি—নেৰিবৰ কথাই মণিৰাম। মই জানো আহোমৰ ৰজাক এৰি ফিৰিঙিত শৰণ লৈছেঁা ? কিন্তু দাৰোগা ! তোমা-লোকে বিচাৰ কৰিবলৈ আহি এইখন পাতনি মেলিছা কিয় ? যি কৰিব লাগে কৰি সোনকালে তোমালোকৰ প্ৰভুৰ আদেশ পালন কৰাহে তোমালোকৰ কাম। বৰগোহাঁই ! আপানালোকে সোধ কৰক।

বৰগোহাঁই—বৰফুকন ৰজাৰ দ্ৰোহ আচৰাৰ দোষত তুমি জগৰীয়া। তোমাৰ ওপৰত কেইবাটাও দোষ পাৰিছে।

প্ৰথমতেই, তুমি বিদ্ৰোহী গমধৰ কোৱঁৰৰ লগ হৈ কোম্পানীৰ বিৰুদ্ধে বিদ্ৰোহ কৰিছিলা। ইয়াৰ বিষয়ে তোমাৰ কিবা কবলগীয়া আছেনে ?

পিয়লি—বিদ্ৰোহ মই কৰা নাই বৰগোহাঁই ! মই মোৰ ৰজা ইন্দ্ৰবংশী স্বৰ্গদেও সকলৰ হকেহে কাম কৰিছোঁ। মোৰ বৰ ঘৰত আজি ডকাইতে বাহ লৈছে। মই সেই ডকাইতক খেদি কৰিব লগীয়া কামহে কৰিবলৈ ওলাইছিলোঁ।

দাৰোগা—ফুকনে তেনে ইয়াণ্ডাবু সন্ধি নেমানা নেকি ? সেই সন্ধি মতে দেশৰ গৰাকী কোম্পানী হে—স্বৰ্গদেও নহয়।

পিয়লি—ইয়াণ্ডাবু সন্ধি হৈছিল মানদেশ আৰু কোম্পানীৰ মাজত। মানহঁতে আমাক হৰুৱাইছিল সচা, কিন্তু তলতীয়া কৰা নাছিল। গতিকে নীতি মতে সিহঁতে কোম্পানীক আমাৰ দেশখন ভেটিবৰ কোনো এক্তিয়াৰ নাই।

মণিৰাম—কিন্তু আমাৰ স্বৰ্গদেৱেও সেই সন্ধি মানি লৈছে বৰফুকন !

পিয়লি—মানি লৈছে ? মানি লোৱা নাই, মণিৰাম। নেমানি উপায় নাই বাবে মনে মনে বহি আছে। গছত বাগী কুঠাৰ মাৰিলে গছে নেমাতে, কিন্তু জীৱ থকা হলে সিও এবাৰ গুনালেহেঁতেন।

দাৰোগা—কিন্তু মানৰ হাতৰ পৰা আমাক সৰুৱালে এই কোম্পানীয়ে।

পিয়লি—দাৰোগা! মানে আমাৰ দেশ উছন নিয়ালে, সচা। কিন্তু আমাৰ স্বৰ্গদেও সকলৰ বংশৰ একজনক নামত হলেও ৰজা পাতি থৈছিল। সময়ত মানৰ ককাল পৰাৰ ছেগ লৈ আমি সিহঁতক খেদাই পঠিয়াব পাৰিলোহেঁতেন। কিয়? যবনহঁতেও দেখোন আমাক এবাৰ হকুৱাই ৰাজ্যৰ এফাল কাঢ়ি লৈছিল, কিন্তু সিহঁত টিকিব পাৰিলে জানো?

দাৰোগা—বৰফুকন! মোগলৰ হাতৰ পৰা আমাক সকবালৈ তেতিয়া লাচিতৰ দৰে মানুহ দেশত আছিল। কিন্তু মান অহাৰ সময়ত দেশত আছিল তোমাৰ পিতৃ বদন বৰফুকন!

পিয়লি—বুজিছা দাৰোগা! তুমি দেউতাৰ নাম কৈ মোক লাজত পেলাবলৈ বিচাৰিছা। দেউতাই দেশলৈ টোপোলা বান্ধি বিহ আনিছিল। দুদিন মান পিছত সেই টোপোলাৰ বিহ অন্ত পৰিলহেঁতেন। কিন্তু তোমালোকে আজি সাত সাগৰৰ সিপাৰৰ পৰা উঠি অহা বিহ গছৰ পুলি বাৰীৰ ঢাপত কই তাত সাৰ জাবৰ জোগাইছা। সময়ত সেই বিহ পুলি ভব্য গছ হৈ তাত লৰা ছোৱালীৰ কাৰণে থোকে থোকে বিহ লাগিব। আৰু পুৰুষে পুৰুষে সেই বিহ খাই দেশখন উছন যাব।

বৰবৰুৱা—কিন্তু ফুকনে কোম্পানীক বৰ বিহ বুলিলেও আমি হলে তেনে কথাত মত দিব নোৱাৰোঁ। মানে দেশৰ মানুহক

ইমান অত্যাচাৰ কৰাৰ পাছত এতিয়া অসমীয়া শান্তিত টোপনি যাব পাৰিছে।

পিয়লি—সচা কথা, টোপনি যাব পাৰিছে। কিন্তু টোপনি যোৱাইহে সাৰ হৈছে বৰবৰুৱা! অসমীয়াৰ আগৰ সেই তেজ নাই। অসীম সাহসী ৰাজপুত বীৰ ৰাম সিংহকো যি অসমীয়াই কৰতোৱাৰ সিপাৰ কৰি খেদি থৈ আহিছিল, সেই অসমীয়াই আলিবাটৰ ফিৰিঙ্গিক দেখিলে ভয়ত দুৱাৰ মাৰি ভিতৰ সোমায়। বৰবৰুৱা! মানুহৰ ভাবিব পৰা শক্তি আছে কাৰণেই সিহঁতৰ সুখ দুঃখ দুয়োটা থাকে। তোমালোকে অসমীয়াক আজি যি শান্তিত ৰাখিব খুজিছা, সি ইতৰ জীৱৰহে লায়ক। সুখত আছো বুলি অসমীয়া শান্তিত থকা নাই। শান্তিত আছে নিজৰ দুঃখৰ কথা বুজিব পৰা নাই কাৰণেহে।

বৰবৰুৱা—কিন্তু কোম্পানীয়ে জানো কিবা চিৰদিন আমাক শাসন কৰিব খুজিছে? অসমীয়া মানুহ উপযুক্ত হলে অসমীয়াৰ হাতত দেশ এৰি দি তেওঁলোক গুচি যাব।

পিয়লি—(ঠাট্টা কৰি) কেনে দয়াৰ সাগৰ এই ফিৰিঙ্গিহঁত! অসমীয়াই দেশ চলাব নোৱাৰা হেন দেখি উদ্ধাৰ কৰিবলৈ আহিল, ন হয়নে? অসমীয়া লায়ক হলে সিহঁতে দেশ এৰি গুচি যাব, নহয়নে?

মণিৰাম—নিশ্চয়! আমাৰ সেয়ে ভাব।

দাৰোগা—(স্বগতঃ) এওঁ মণিৰামেও দেখিছো সুযোগ পালেই কোম্পানীক খেদিবৰ ইচ্ছা কৰে ! বাৰু আমিও চাম !

পিয়লি—ভুলকৈ ভাবিছা, মণিৰাম ! সিহঁত ইমান অকৰা নহয়। এই হেন সোণৰ দেশখন ইমান সহজে সিহঁতে নেৰে। সিহঁতে চিৰকাল কৈ ফুৰিব—অসমীয়া লায়ক হোৱা নাই, নহলে আমি কেতিয়াবাই গুছি গলোহেঁতেন ? যুগৰ পাছত যুগ পাৰ হৈ যাব, কিন্তু সিহঁতৰ চকুত অসমীয়া কোনো দিনেই লায়ক হৈ নুঠিব। আন হাতে যিমানেই দিন হব, সিমানেই আমাৰ মানুহ নিশকতীয়া হৈ পৰিব। শেষত কোম্পানীৰ বিৰুদ্ধে ঠিয় দিবলৈ সিহঁতৰ শক্তি নাই-কিয়া হব।

দাৰোগা—কিয় ? লাহে লাহে যদি দেশৰ শাসনৰ বিষয় বাব আমাৰ হাতলৈ আহে, তেতিয়া আমি আমাৰ দেশ ভালকৈ গঢ়ি তুলিব পাৰিম।

পিয়লি—দেখাত কথাটো সচা যেন লাগে, দাৰোগা ! কিন্তু কামৰ বেলিকা তাৰ বিপৰীতটোহে ঘটে। কোম্পানীৰ বিষয়ৰ মোহত পৰিলে হোজা অসমীয়াৰ কথা ভাবিবলৈ আমাৰ সময় নহব। আমাৰ একমাত্ৰ উদ্দেশ্য হব সা-সম্পত্তি গোটোৱা আৰু হোজা মানুহক ভুৱা দি নিজে বৰমতালি কৰা।

দাৰোগা—বৰফুকনৰ ভয় অমূলক।

পিয়লি—অমূলক যে নহয়, তাৰ প্ৰমাণ তোমালোকেই দাৰোগা! তোমালোকেও দেখোন কোম্পানীৰ ডাঙৰ বিষয় খাইছা। কিন্তু হোজা অসমীয়াৰ কথা কেতিয়াবা ভাবিছানে? সিদিনা অৰ্জ্জুন গুৰিত সেইখন মেলা পাতি তালৈ বৰমূৰীয়া সকলোকে নিমন্ত্ৰণ কৰিলা। কিন্তু তাত ক'ত মানুহক আচল কথা কবা, ক'লা যে কোম্পানী কেনে দয়াৰ সাগৰ, কোম্পানীয়ে ই কৰিছে, কোম্পানীয়ে সি কৰিছে আৰু কত কি ভুৰা দিয়া কথা।

বৰগোহাঁই—দাৰোগা ডাঙৰীয়া। বৰবৰুৱা! মোৰ বোধেৰে হলে আমি আচল কথাৰ পৰা আতৰি কিবা অলাগতিয়াল কথাত সময় কটাইছোঁ!

বৰবৰুৱা—এৰা, এৰা।

বৰগোহাঁই—এয়া লওকছোন বৰবৰুৱা। সকলো কেইটা অভিযোগৰ কথা পঢ়ি শুনাওক আৰু মই ফুকনৰ কবলগীয়া কথা টুকি যাওঁ। [এখন কাগজ দিয়ে]

বৰবৰুৱা—বৰফুকনৰ বিৰুদ্ধে প্ৰথম অভিযোগ হল, বৰফুকনে ৰাজদ্ৰোহী গমধৰ কোঁৱৰৰ লগত তলে তলে যোগ দিছিল। এই বিষয়ে বহুতো কথা আমি জানিব পাৰিছোঁ। বৰফুকনে এই বিষয়ে কি কয়?

পিয়লি—কবলগীয়া মোৰ আছে। গমধৰ কোঁৱৰে নিজৰ

শক্তিৰে কোম্পানীৰ লগত যুঁজ দিছিল। বৰ দুখৰ কথা যে কোৱঁৰক মই যিমান খিনি সহায় কৰিব লাগে সিমান খিনি সহায় কৰিব নোৱাৰিলোঁ। কোৱঁৰৰ লগত যোগ দিয়াৰ বাবে মোৰ দোষ হোৱা বুলি মই নেভাবোঁ। মোৰ দোষ হল, কোৱঁৰক মই ভালকৈ সহায় কৰিব নোৱৰিলোঁ।

ৰবৰকৰা—তেন্তে আপুনি কোৱঁৰৰ লগত যোগ থকাৰ কথা স্বীকাৰ কৰিছে ?

পিয়লি—নিশ্চয়। এনে এটি সৎ কামৰ পৰা আঁতৰি থাকি মহাপাপ অৰ্জ্জন কৰিবলৈ মই শিকা নাই, ৰবৰকৰা।

ৰবৰকৰা—এই বাৰ দ্বিতীয় অভিযোগ শুনক। যোৱা মাঘ বিহুৰ সময়ত দিখৌৰেদি কৈইখনমান নাঁৱত আমাৰ বহুতো খাৰ বাৰুদ পঠিওৱা হৈছিল। কিন্তু বাটতে বৰ-ফুকনৰ মানুহে সেইবোৰ চুৰ কৰি লৈ যায়। বৰফুকনে সেই কথা স্বীকাৰ কৰেনে ?

পিয়লি—ফিৰিঙ্গিৰ ওচৰত শৰণ লৈ তোমালোকে দেখিছো মিছা মাতিবলৈ অকণো লাজ নকৰা। কোম্পানীৰ নাৱঁত দুকুৰিমান চন্তৰী আছিল আৰু প্ৰত্যেকটোৰ হাততে অস্ত্ৰ শস্ত্ৰও আছিল। মোৰ মানুহে সিহঁতৰ লগত যুঁজ দি হকৱাইহে খাৰ বাৰুদ লৈ আইছে; চুৰ কৰি অনা বুলি কোৱা কথাষাৰ মিছা।

দাৰোগা—কিন্তু অনাটো হয়।

পিয়লি—চুব কৰি অনা আৰু যুঁজত হুকুৱাই অনা দুটা বেলেগ
কথা, দাৰোগা।

বৰগোহাঁই—মুঠতে বৰফুকনে সেই দোষ স্বীকাৰ কৰিছে
বুলিয়েই আমি ধৰিলো। তাৰ পিছত বৰবৰুৱা ?

বৰবৰুৱা—বৰফুকনৰ বিৰুদ্ধে তৃতীয় অভিযোগ হল যে বৰফুকনে
তেজা নামৰূপৰ এৰা হাবি এখনত এটা আথৰা পাতি
তাত বহুতো মানুহক যুদ্ধ কৰিবলৈ শিক্ষা দিছিল। সেই
কথা সচাঁনে ?

পিয়লি—সচা কথা। কোম্পানীৰ লগত যুজিবলৈ হলে সেনা-
বোৰক শিকাই বুজাই নললে সিহঁতে যুজিব কেনেকৈ ?

বৰবৰুৱা—চতুৰ্থ আৰু সকলতকৈ গুৰু অপৰাধ হল বৰফুকনে
থাৰ ঘৰত জুই দি আমাৰ বহুতো থাৰ বাৰুদ নষ্ট কৰিলে।
আমাৰ কেইবাজনো চন্তৰীও ইয়াতে মৰিল।

পিয়লি—কোম্পানীৰ ককাল পেলাবলৈ সিহঁতৰ থাৰ বাৰুদ
নষ্ট কৰিবই লাগিব। আৰু যুঁজত দুজন এজন সেনা-
মৰেই !

মণিৰাম—তেনে হলে বৰফুকনে সকলোকেইটিকে মানি ললে।
এতিয়া বৰগোহাঁই আৰু বৰবৰুৱাই বিচাৰ কৰি যেনে ভাল
দেখে ব্যৱস্থা কৰক।

বৰগোহাঁই—বৰফুকন দেখা দেখিকৈ ৰাজদ্ৰোহৰ অপৰাধত
অপৰাধী। এতিয়া দোষ দণ্ডৰ ব্যবস্থা হব লাগে।

পিয়লি—দণ্ড ? দণ্ড পাবই লাগিব বৰগোহাঁই। কথাত জানিছা মই মোৰ দেশক ভাল পাওঁ—দেশক মই স্বাধীন কৰিব খোজোঁ, কোম্পানীক মই বেয়া পাওঁ—সিহঁতক মই খেদাই দিব খোজোঁ—মোৰ জানো দণ্ড নহৈ পাৰে ?

মণিৰাম—বৰফুকনে দেখিছো দেশৰ কথা কৈ বৰকৈ বৰাই কৰিছে! পিছে দেশক আমিও ভাল পাওঁ, বৰফুকন! কিন্তু এই দৰে নহয়। এমুঠি সৈন্য লৈ এনেকৈ আক্ৰমণে মৰাক দেশক ভাল পোৱা নোবোলে

দাৰোগা—এনে কামৰ পৰা নিজৰ আক দহৰ অকল্যাণ হে হয়, বৰফুকন!

পিয়লি—দাৰোগা! সতী জয়মতী কুৱঁৰীয়ে যিদিনা স্বামীৰ কথা নকৈ নিজে জীয়াতু ভুগিছিল; সেইদিনা তেওঁ নিজৰ অকল্যাণহে কৰিছিল। কিন্তু সেই অকল্যাণ দেখোন শ শ অকল্যাণতকৈ বহুতো ওপৰত। সি যিয়েই নহওক তোমালোকৰ সৈতে কথা কটা-কটি কৰাৰ ইচ্ছা মোৰ নাই মণিৰাম। তোমালোকে তোমালোকৰ মতে কাম কৰা,ময়ো মোৰ মতেৰে কাম কৰিলোঁ। সময়ত আপোনা আপুনি প্ৰমাণ হব, কাৰ কথা সচা।

দাৰোগা—বৰগোহাঁই। বৰফুকন দোষী বুলি প্ৰমাণ হলেই। এতিয়া মোৰ বোধেৰে শাস্তিৰ কথা ঘোষণা কৰাই ভাল।

ৰবগোহাঁই—অসমৰ দস্তুৰ আৰু কোম্পানীৰ আইন অনুসৰি এনেকৈ ৰজাৰ দ্ৰোহ আচৰা জনক ফটা কাপোৰৰ দোলেৰে গুলোমাই ফাঁচী দিব লাগে। [মণিৰ মে ভ·মুৰ কৰে]

দাৰোগা—উত্তম বিধান হৈছে, ৰবগোহাঁই! কি বোলা বৰ ভাণ্ডাৰ বৰুৱা! [ৰবগোহাঁয়ে আদেশ পত্ৰ লিখে]

মণিৰাম—বিচাৰক সকলে যেনে ভাল দেখে তাকেই কৰক। মোৰ কবলৈ একো নাই।

পিয়লি—ফাঁচীৰ আদেশে মোক ভয় খুৱাব নোৱাৰে, দাৰোগা! দেশৰ কাৰণে মই মোৰ এই দেহা এৰিবলৈ ওলাইছোঁ। সৰগীয়াকৈ নহলেও, অলপীয়াকৈ হলেও মই দেশৰ কাৰণে কিবা এটা কৰি থৈ যাব পাৰিছোঁ। আজি মোৰ বং কৰিবৰ হে দিন। দাৰোগা! তুমি ভাবিছা তুমি আজি পিয়লিক অঁতৰালা। কিন্তু এইটো খাটাংকৈ জানিবা দাৰোগা! ফাঁচী কাঠে এই পিয়লিক শেষ কৰিব নোৱাৰে। আজি এটা পিয়লি ফাঁচী কাঠত ওলমিলে, কাইলৈ দগোটা আহি তাৰ ঠাইত ঠিয় দিবহি। সেই দহোটাকো তুমি যদি আঁতৰোৱা, ভেড়িয়া চাবা আৰু কিছুমানে আহি সেই ঠাই পুৰাইছেহি। পিয়লিৰ ঠাই শূন্য হৈ নেথাকে। ফাঁচী কাঠে পিয়লিৰ এই দেহাটোক নষ্ট কৰিলেও তাৰ মনটো ইয়াতেই থাকি যাব। আৰু সেই মনৰ পৰাই পজালি মেলি শই শই পিয়লিৰ জন্ম হব। তুমি বা

তোমাৰ কোম্পানীয়ে ফাঁচী দি, অত্যাচাৰ কৰি সিহঁতক শেষ কৰিব নোৱাৰা। শিলত ঘহঁাই কটাৰীত ধাৰ দিয়াৰ দৰে, তোমালোকৰ অত্যাচাৰেও সিহঁতক বেচি চোকাহে কৰিব। আমাৰ এই যুঁজৰ শেষ নাই দাৰোগা! ইয়াৰ শেষ নাই! (ৰৈ) আৰু মণিৰাম! তোমাকো এষাৰ কৈ থৈ যাওঁ।— তুমি আজি কোম্পানীৰ লগ লাগি আমাৰ বিপৰীতে থিয় দিছা, কিন্তু অলপ গা বচাই ফুৰিবা মণিৰাম! নহ'লে, আজি যিডাল দোল মই বাবত ললো, সেইডাল তুমি অৱাৰতেই লব লাগিব।

মণিৰাম—মই, মই লম? [যেন নিজকে কৈ উঠে]

দাৰোগা—বৰগোহাঁই! আদেশ পত্ৰ লিখক, দোষীৰ বৰ কথা শুনি থাকিলে কাম নিসিজে।

বৰগোহাঁই—এইয়া আদেশ পত্ৰ লিখা হল। হেন্তে আমাৰ কাম হল। বন্দীৰ ভাৰ দাৰোগাৰ ওপৰত থাকিল। আপোনালোকেও দস্তখত দিয়ক। [দাৰোগা আৰু বৰ ৰকৱাই চহী দি কাগজখন মণিৰামৰ হাতলৈ দিলে। কাগজখন লৈ মণিৰামে এবাৰ পিয়লিৰ মুখলৈ চায় আৰু কৰোঁ নকৰোঁকৈ চহী কৰে]

বৰগোহাঁই—আমি তেন্তে উঠোহে! (সকলোটি উঠে। চকৰায়ে বৰ-ফুকনক নিবলৈ ধৰে। মণিৰামৰ মুখত বেজাৰৰ চিন)

পিয়লি—মনিৰাম যাওঁ! [মণিৰাম একো নকওঁকৈ ৰৈ থাকে। দাৰোগাই চকৰীক ইঙ্গিত দিলে। চকৰীয়ে বৰফুকনক পিছে পিছে

লৈ যায়। বিপৰীত ফালে অগাপিছাকৈ ৰঙগোহাই আৰু ৰংৰুকৰা ওলাই যায়। মণিৰামে একেথৰে ৰংফুকন যোৱাৰ পিনে চাই থাকে]

মণিৰাম—যো'ৱা ৰংফুকন! এই অন্যায়ৰ মাজত, এই পৰাধীনতাৰ মাজত, তুমি থকা শোভা নাপায়। তোমাৰ স্থান ইয়াত নহয়—স্বৰ্গৰ দুৱাৰ তোমাৰ কাৰণে মুকলি হৈ আছে। তোমাৰ স্থান তাত। (বৈ) কিন্তু তুমি ভুল কৰিলা! দেশপ্ৰেমত অন্ধ হৈ তুমি তোমাৰ শক্তিৰ অপব্যয় কৰিলা। এই বিদ্ৰোহৰ সময় এতিয়াও হোৱা নাই। আৰু তাৰ ফলতেই আজি দেশে তোমাৰ দৰে পুৰুষক হেৰুৱালে। (বৈ) তোমাৰ আজিৰ এই সাৱধান বাণী মোৰ চিৰদিন মনত থাকিব। যিমান দিন থাকোঁ সদায় চেষ্টা কৰিম, তুমি যি কাৰণে জীৱন বলি দিলা, তাক যেন সফল কৰিব পাৰোঁ। তুমি যোৱা—কিন্তু তোমাৰ আত্মা অমৰ হৈ বৈ গল এই পৃথিৱীতেই দিক্ হেৰুওৱা বিভ্ৰান্ত পথ দেখুৱাবলৈ—সাহ হেৰুওৱাক সাহ যোগাবলৈ—দেশৰ শুই থকা মানুহক জগাই তুলিবলৈ, তুমি অমৰ, তুমি অমৰ।

[মণিৰামৰ কথাৰ লগে লগেই মঞ্চ লাহে লাহে অন্ধকাৰ হৈ কথা শেষ হোৱাৰ লগে লগে সম্পূৰ্ণ অন্ধকাৰ হয়। ইমান পৰ এটা করুণ আৰহ সঙ্গীত শুনা গৈছিল, কথা শেষ হোৱাৰ লগে লগে সেই আৰহ সঙ্গীত এটা গীতলৈ ৰূপান্তৰিত হয়; মণিৰামক মঞ্চত দেখা নেযায়]

গীত

বিননি বিননি বিননি

কাঁচীৰে কাঠ্‌ত পিয়লি বিনালে

অসমীৰ বুকুৰে মণি।

গছে বিনালে পাতে বিনালে

বিনালে অসমৰ বাইজ,

তুমি ঐ পিয়লি নোযোৱা জাতৰি

হিয়াতে কৰিবা বাজ।

বাইজক বুজিলা বাইজৰ কাৰণে

জীৱনকে দিলা বলি,

তোমাৰে কথাটি সুঁৱৰি সুঁৱৰি

টুকিমে চকুৰে পানী॥

(গীত অন্ত হোৱাৰ লগে লগে লাহে লাহে পট পৰে)

অন্ত